## ভিতৰৰ পৃষ্ঠাত

ডাকৰ বচন, কৃষিভিত্তিক... পৃষ্ঠা ৪

বানপানী আৰু বিপৰ্যস্ত... পৃষ্ঠা ৫

‘পাগল’ নে... পৃষ্ঠা ৭

আমবাত ঃ হোমিঅ’... পৃষ্ঠা ৮



RNI No. ASSASS/2014/56974
Postal Registration No. GH-164/2021-2023
www.asombhumi.comত উপলব্ধ

# অসম ভূমি

জাতীয় স্বাৰ্থত দায়বদ্ধ

■ Vol:14 ■ Issue: 1 ■ Guwahati ■ Wednesday ■ 5 August, 2026 ■ Rs. 5 ■ বছৰ- ১৪ ■ সংখ্যা- ১ ■ গুৱাহাটী ■ বুধবাৰ ■ ১৯ শাওণ, ১৯৪৮ শক ■ মূল্য ঃ ৫ টকা


### নাজিৰা-মাহমৰা-সোণাৰিৰ বানবিধ্বস্ত অঞ্চল পৰিদৰ্শন মুখ্যমন্ত্ৰীৰ

# ঘৰে ঘৰে গৈ ক্ষতিৰ বুজ ল’ব চৰকাৰী বিষয়াই




**ষ্টাফ ৰিপ’ৰ্টাৰ ঃ** উজনি অসমৰ শেহতীয়া বিধ্বংসী বানৰ পিছত দ্বিতীয়বাৰৰ বাবে চৰাইদেউ আৰু শিৱসাগৰ জিলাত উপস্থিত হৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই যোৱা সোমবাৰে নাজিৰা, মাহমৰা আৰু সোণাৰি সমষ্টিৰ বানবিধ্বস্ত অঞ্চলসমূহ পৰিদৰ্শন কৰি সাম্প্ৰতিক পৰিস্থিতি আৰু ক্ষয়-ক্ষতিৰ বুজ লয়। মুখ্যমন্ত্ৰীগৰাকীয়ে নাজিৰা সমষ্টিৰ চণ্টক, সুন্দৰপুখুৰী, মাহমৰাৰ বিহুহুৰৰ নেপালীখুটি আৰু চোমনী গাঁও আৰু সোণাৰি টাউনৰ ৮ নং বাৰ্ডৰ বান ক্ষতিগ্ৰস্ত এলেকা পৰিদৰ্শন কৰাৰ লগতে দুৰ্দশাগ্ৰস্ত ৰাইজৰ সৈতে মত বিনিময় কৰে। নাজিৰা সমষ্টিৰ বানবিধ্বস্ত বিহুবৰৰ নেপালীখুটি অঞ্চলটো যোৱা ৩ আগষ্টত মুখ্যমন্ত্ৰীগৰাকীয়ে ট্ৰেক্টৰযোগে পৰিদৰ্শন কৰি ৰাইজৰ সৈতে বাৰ্তালাপ কৰে আৰু তেওঁলোকে সন্মুখীন হোৱা সমস্যাসমূহৰ প্ৰত্যক্ষ বুজ লয়। ইয়াৰ পিছতে তেওঁ সুন্দৰপুখুৰী শুলাল কলিতা গাঁৱত উপস্থিত হৈ অঞ্চলবাসীৰ সৈতে মত বিনিময় কৰাৰ লগতে সাহায্য অভিযানৰ পৰ্যালোচনা কৰে। ৰাইজক সম্বোধন কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে অহা ৯ আগষ্টৰ পৰা চৰকাৰী বিষয়াই ঘৰে ঘৰে গৈ বানত হোৱা স্থায়ী



■ ১১ পৃষ্ঠাত

## অভিবাদন

**প্ৰফুল্ল বৰ্মন**



(হেণ্ডছেক (Hand shake)ৰ পৰিৱৰ্তে হাতযোৰ কৰি কৰা অভিবাদন সদায় শ্ৰেষ্ঠ)

আমি কোনোবা বন্ধু-বান্ধৱক লগ পালে বা কাৰোবাৰ লগত নতুনকৈ চিনাকি হ’লে তেওঁলোকক অভিবাদন জনাওঁ। পৃথিৱীৰ বিভিন্ন দেশত অভিবাদন জনোৱা পৰম্পৰা আছে যদিও এই পৰম্পৰা বেলেগ বেলেগ ধৰণৰ। আমাৰ ভাৰতীয় পৰম্পৰা মতে কাৰোবাক

নতুনকৈ লগ পালে বা কাৰোবাৰ লগত চিনাকি হ’লে তেওঁক হাতযোৰ কৰি অভিবাদন কৰা নিয়ম চলি আহিছে। তদুপৰি জ্যেষ্ঠ বা গুৰুসদৃশ কোনো জ্ঞানী পুৰুষৰ সান্নিধ্য পালে হাতযোৰ কৰাৰ উপৰি চৰণ স্পৰ্শ কৰি মূৰ দোঁৱাই সেৱা কৰা নিয়মো চলি আহিছে। হেন সময়তে জ্যেষ্ঠজনে বা গুৰুৱে সেৱা কৰা বা অভিবাদন জনোৱা লোকজনক ওলোটাই হাতযোৰ কৰি অভিবাদন জনাই অথবা নিজৰ সোঁহাতখন ওপৰলৈ তুলি আশীৰ্বাদ দিয়ে। এনে শ্ৰদ্ধাজনিত অভিবাদনত

■ দুই পৃষ্ঠাত

# চাৰি জিলাৰ প্ৰধানমন্ত্ৰী সূৰ্য ঘৰ বিনামূলীয়া বিজুলীৰ হিতাধিকাৰীলৈ ৰাজ্যিক ৰাজসাহায্যৰ ধন মুকলি



**ষ্টাফ ৰিপ’ৰ্টাৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই যোৱা সোমবাৰে ডিব্ৰুগড়ৰ মুখ্যমন্ত্ৰীৰ সচিবালয়ত আয়োজিত এক অনুষ্ঠানত শিৱসাগৰ, চৰাইদেউ, যোৰহাট আৰু গোলাঘাট জিলাৰ প্ৰতিটো বানাক্ৰান্ত পৰিয়াললৈ প্ৰত্যক্ষ লাভালাভ হস্তান্তৰ ব্যৱস্থাৰে ১৫,০০০ টকাকৈ অন্তৰ্ৱৰ্তীকালীন আৰ্থিক সাহায্য প্ৰদানৰ আৰম্ভ কৰে। একেটা অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে ‘প্ৰধানমন্ত্ৰী সূৰ্য ঘৰ-বিনামূলীয়া বিজুলী যোজনা’ৰ দ্বাৰা উপকৃত শিৱসাগৰ, চৰাইদেউ, যোৰহাট আৰু গোলাঘাট জিলাৰ যোগ্য হিতাধিকাৰীলৈ ৰাজ্যিক ৰাজসাহায্যৰ ধন আভাসীয়ভাৱে মুকলি কৰে। উল্লেখ্য যে শেহতীয়া প্ৰলয়ংকাৰী বানত ক্ষতিগ্ৰস্থ শিৱসাগৰ, চৰাইদেউ, যোৰহাট আৰু গোলাঘাট জিলাৰ প্ৰায় ৭৫,০০০ টা বানাক্ৰান্ত পৰিয়াললৈ সাহায্য আগবঢ়োৱা হ’ব। প্ৰথম পৰ্যায়ত ৬২,৬৯৬ টা পৰিয়াললৈ

■ দুই পৃষ্ঠাত

## বানাক্ৰান্ত শিশুলৈ সহায়ৰ হাত ‘অসম ভূমি’ পৰিয়ালৰ




*উজনিৰ বানপীড়িত শিক্ষাৰ্থীসকলৰ বাবে সহায়ৰ হাত আগবঢ়াইছে সাপ্তাহিক ‘অসম ভূমি’ৰ লগতে ৰাজ্যৰ আগশাৰীৰ প্ৰকাশন গোষ্ঠী গুৱাহাটীৰ ছেভেন ষ্টাৰ্ছ পাব্লিকেচনছ্ প্ৰাইভেট লিমিটেড়ে। শিমলুগুৰিৰ বেতবাৰীত ‘অসম ভূমি’ৰ পৰিয়ালে আগবঢ়োৱা বহী এগৰাকী শিক্ষাৰ্থীৰ হাতত তুলি দিছে জ্যেষ্ঠ সাংবাদিক কিশোৰ কুমাৰ শৰ্মাই।*

### মাহমৰাৰ ঘিলাগুৰিত কঠীয়া সিঁচিলে কৃষিমন্ত্ৰীয়ে ঃ কৃষকক সহায়ৰ আশ্বাস

# কৃষকক কঠীয়া বিতৰণৰ মন্ত্ৰী পীয়ূষৰ



**অসম ভূমি সেৱা, সোণাৰি ঃ** অসমৰ কৃষি, জলসিঞ্চন আৰু সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী পীয়ূষ হাজৰিকাই যোৱা দেওবাৰে চৰাইদেউ জিলাৰ মাহমৰা আৰু সোণাৰি বিধানসভা সমষ্টিত বিভিন্ন কাৰ্যসূচীত অংশগ্ৰহণ কৰি কৃষি পুনৰ সংস্থাপন ব্যৱস্থা পৰ্যালোচনা কৰাৰ লগতে বানপীড়িত কৃষকসকলৰ সৈতে মত বিনিময় কৰে। ভ্ৰমণসূচীৰ আৰম্ভণিতে মন্ত্ৰীগৰাকীয়ে মাহমৰা সমষ্টিৰ ঘিলাগুৰি উচ্চ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত জিলা কৃষি বিভাগৰ উদ্যোগত বানপীড়িত কৃষকসকলৰ বাবে স্থাপন কৰা সামূহিক কঠীয়াতলীৰ বীজ সিঁচা কাৰ্যসূচীৰ আৰম্ভ কৰে। শেহতীয়া বানত ক্ষতিগ্ৰস্ত হোৱা কৃষকসকলৰ বাবে সময়মতে কঠীয়া উপলব্ধ কৰোৱাই পুনৰ খেতি আৰম্ভ কৰাত সহায়

■ ১১ পৃষ্ঠাত

প্ৰথম পৃষ্ঠাৰ পৰা ঃ —

## অভিবাদন

দুয়োপক্ষৰ মাজত সন্মান, শিষ্টাচাৰ আৰু আধ্যাত্মিকতাৰ পৰম্পৰা ৰক্ষা পৰে। অৱশ্যে আত্মিক ভাব বা শ্ৰদ্ধা-ভক্তি নাথাকিলে কেৱল আনক দেখুৱাবলৈ বা কেৱল পৰম্পৰা ৰক্ষাৰ বাবে এনেদৰে হাতযোৰ কৰি অভিবাদন জনালে তাৰ সুফল পোৱা নাযায়। মনৰ ইচ্ছা নাথাকিলে কৃত্ৰিমতাৰে বেপৰোৱাভাৱে জ্যেষ্ঠজনক কৰা সেৱা বা অভিবাদনৰ কোনো মূল্য নাই। তথাপি সামাজিক দৃষ্টিভংগীত ই এটা উন্নত মানৰ কাৰ্য সমাপন হয় বুলি ধৰা হয়। কিন্তু হেণ্ডছেক? আমাৰ ভাৰতীয় সমাজ ব্যৱস্থাত কেতিয়া আৰু ক'ৰ পৰা আহিল এই হেণ্ডছেক কৰা পদ্ধতি? আচলতে হেণ্ডছেক কৰা পদ্ধতিটো ভাৰতীয় পৰম্পৰাৰ বিপৰীতে পশ্চিমীয়া সংস্কৃতিৰ পৰা এটা ধাৰ কৰা বা অনুকৰণ কৰা এটা পদ্ধতিহে। ইয়াক প্ৰকৃত ভাৰতীয় সংস্কৃতি বা পৰম্পৰা বুলি ক'ব নোৱাৰি। বৰঞ্চ একেবাৰে সস্তীয়া বুলি নক'লেও হেণ্ডছেক কৰি অভিবাদন কৰা পদ্ধতি ভাৰতীয় পৰম্পৰাৰ বিপৰীতধৰ্মী এটা নতুন পদ্ধতি বুলি ঠাৱৰ কৰিব পাৰি। ইয়াক বেপৰোৱা বা আধুনিক শিষ্টাচাৰ বুলিও কিছুমানে ক'ব খোজে। কাৰণ ইয়াত শ্ৰদ্ধা-ভক্তি আৰু আন্তৰিকতা নাথাকিবও পাৰে। উদাহৰণস্বৰূপে ফুটবল, ভলীবল, ক্ৰিকেট আদি খেলবোৰত খেল আৰম্ভ হোৱাৰ পূৰ্বে এটা পক্ষই আনটো পক্ষৰ লগত হেণ্ডছেক কৰে অথচ সেইখন খেলতে বিপৰীত পক্ষক হৰুৱাবলৈ খেলুৱৈসকলে শক্তি প্ৰয়োগ কৰাৰ উপৰি বিভিন্ন কূট-কৌশলো অৱলম্বন কৰে বা কাজিয়া-পেচাল আনকি মাৰপিট কৰাও দেখা যায়। একে ধৰণে নতুনকৈ চিনাকি হ'লে, বিভিন্ন কৰ্মক্ষেত্ৰত লগ পালে বা পুৰণি বন্ধুক কিছুদিনৰ পিছত লগ পালে হেণ্ডছেক কৰি অভিবাদন জনোৱা হয় যদিও তাত হৃদয়ৰ ঐকান্তিকতা উপলব্ধি নহ'বও পাৰে। এবাৰ ভাবি চাওকচোন, আমাৰ জীৱনত কিমান মানুহৰ লগত আমি হেণ্ডছেক কৰিলো সেই কথা মনত ৰাখিছোনে? তদুপৰি হেণ্ডছেক কৰা মানুহখিনিৰ লগত আমাৰ আত্মীয়তা গঢ়ি উঠিছেনে বা আধ্যাত্মিকতাৰ চেতনাবোধ জাগিছেনে? ক'ত আৰু কেতিয়া মানুহগৰাকীৰ লগত হেণ্ডছেক কৰিছিলো হয়তো কেতিয়াবা সেয়াও পাহৰি যাওঁ। নাইবা পূৰ্বতে হেণ্ডছেক কৰা মানুহজনৰ লগত বিভিন্ন কাৰণত কেতিয়াবা মতানৈক্য হোৱা বা কেতিয়াবা কাজিয়া কৰাৰো উদাহৰণ আছে। কেতিয়াবা নিজৰ অহমিকাত ভোগা কোনো কোনো ব্যক্তিয়ে হেণ্ডছেক কৰিবলৈ আগ্ৰহ দেখুৱাই আগবাঢ়ি অহা ব্যক্তিৰ লগত হেণ্ডছেক নকৰিবও পাৰে, তেতিয়া হেণ্ডছেক কৰিবলৈ আগবাঢ়ি যোৱা সেই ব্যক্তিজনে লাজ পাব পাৰে বা অপমানিত হোৱা বুলিও ভাবিব পাৰি। জ্যেষ্ঠ বা কাৰ্যালয়ৰ উৰ্দ্ধতন বিষয়াৰ লগত নিম্ন পৰ্যায়ৰ কৰ্মচাৰীয়ে হেণ্ডছেক কৰিবলৈ আগবাঢ়ি গ'লে সন্মান হানি হ'ব বুলি জ্যেষ্ঠ পদাধিকাৰীয়ে হেণ্ডছেক নকৰি নিম্ন পৰ্যায়ৰ কৰ্মচাৰীক অৱজ্ঞা কৰাও দেখা যায়।

পুৰুষে মহিলাক হেণ্ডছেক কৰা প্ৰথাটো ভাৰতীয় সমাজ ব্যৱস্থাত পূৰ্বতে নাছিল। অৱশ্যে সাম্প্ৰতিক কালত ই সহজলভ্য হৈছে। এতিয়াৰ পুৰুষ-মহিলাৰ মাজত মিলা-মিচা কৰাৰ ব্যৱধানৰ সীমাৰেখাডাল কিছু শিথিল হ'ব ধৰিছে। ফলত পুৰুষ-মহিলাই মুক্তভাৱে হেণ্ডছেক কৰাত পূৰ্বৰ দৰে কোনো সামাজিক বাধা নাইকিয়া হৈছে। তথাপি পুৰুষ-মহিলাই হেণ্ডছেক কৰাৰ সলনি যদি উভয়ে হাতযোৰ কৰি অভিবাদন কৰে তেন্তে সামাজিক মৰ্যাদা ৰক্ষাৰ লগতে ভাৰতীয় সংস্কৃতি আৰু পৰম্পৰা ৰক্ষাত অহোপুৰুষাৰ্থ কৰা হ'ব। হেণ্ডছেক কৰাৰ সময়ত মানুহে পশ্চিমীয়া সংস্কৃতিৰে হয়তো দুটামান ইংৰাজী বাক্য কোৱা শুনা যায়, যেনে ধৰক— 'How are you, Good morning, Good evening, Thank you' আদি। কিন্তু তাৰ বিপৰীতে হাতযোৰ কৰি কাৰোবাক অভিবাদন কৰাৰ সময়ত সম্ভৱতঃ হাতযোৰ কৰা প্ৰথম ব্যক্তিগৰাকীয়ে কেইটামান বাক্য ব্যৱহাৰ কৰে এনেদৰে— 'নমস্কাৰ, সেৱা জনালো, ৰাম ৰাম, কৃষ্ণ কৃষ্ণ, আপোনাৰ ভালনে' আদি। তাৰ সমান্তৰালকৈ প্ৰতিপক্ষৰ পৰাও হাতযোৰ কৰি একে ধৰণে হয়তো কোৱা শুনা যায়— 'নমস্কাৰ, ৰাম ৰাম, কৃষ্ণ কৃষ্ণ, হয় ভালে আছো, আপোনাৰ- তোমাৰ ভালনে?' চাওকচোন হেণ্ডছেক কৰি অভিবাদন কৰা আৰু হাতযোৰ কৰি অভিবাদন কৰাৰ মাজত কিমান পাৰ্থক্য?

আন এটা বিশেষ মন কৰিবলগীয়া পাৰ্থক্য হ'ল, কোনোবাই জানি অথবা নাজানি কাৰোবাৰ ওচৰত কিবা দোষ বা অপৰাধ কৰাৰ পিছত যদি দোষ কৰাজনে হাতযোৰ কৰি ক্ষমা বিচাৰে তেন্তে অধিকসংখ্যকে ভুল বা অপৰাধ কৰা ব্যক্তিগৰাকীক ক্ষমা কৰি দিয়ে। কেতিয়াবা শত্ৰুৱেও হাতযোৰ কৰি ক্ষমা বিচাৰৰ পিছত শত্ৰুতা ত্যাগ কৰি তেওঁক মিত্ৰৰূপে গ্ৰহণ কৰাও উদাহৰণ অনেক আছে। হাত দুখন লগ কৰি অভিবাদন কৰোতে আমাৰ ইন্দ্ৰিয় দমন হোৱাৰ লগতে সংযমী হোৱাৰ এটি মহত্ত্বপূৰ্ণ দিশ উন্মোচন হয়। চাওকচোন কিমান মাহাত্ম্য আছে এই হাতযোৰ কৰি অভিবাদন কৰা পৰম্পৰাগত সুকৰ্মখিনিত?

সেয়েহে হয়তো, আজিৰ বিশ্বায়নৰ যুগত পৃথিৱীৰ বহু দেশে হাতযোৰ কৰি অভিবাদন জনোৱা ভাৰতীয় পৰম্পৰাক সন্মান জনোৱাৰ উপৰি সেই দেশবোৰত পূৰ্বৰে পৰা বৰ্তি থকা বা চলি অহা হেণ্ডছেক কৰি বা অন্য ধৰণে অভিবাদন কৰা পদ্ধতিৰ পৰিৱৰ্তে সাম্প্ৰতিক সময়ত হাতযোৰ কৰি অভিবাদন কৰা ভাৰতীয় পৰম্পৰাক আঁকোৱালি লোৱা দেখা গৈছে। এয়াও হাতযোৰ কৰি অভিবাদন কৰা ঐতিহাসিক ভাৰতীয় পৰম্পৰাৰ এক বিশ্বজনীন সফলতা আৰু গোলকীয় পৰিসৰত ভাৰতৰ বিজয় যাত্ৰা বুলি ক'ব পৰা যায়।

## চাৰি জিলাৰ প্ৰধানমন্ত্ৰী সূৰ্য ঘৰ বিনামূলীয়া

ধনৰাশি প্ৰেৰণ কৰা হৈছে। জিলা আয়ুক্তসকলে দাখিল কৰা মূল্যায়ন প্ৰতিবেদন আৰু হিতাধিকাৰীৰ তালিকাৰ ভিত্তিত বাকী থকা যোগ্য হিতাধিকাৰীসকললৈ অহা ৫ আগষ্টৰ ভিতৰত এই আৰ্থিক সাহায্য মুকলি কৰি দিয়া হ'ব। আনহাতে প্ৰধানমন্ত্ৰী সূৰ্য ঘৰ যোজনাৰ অধীনত বানপীড়িত শিৱসাগৰ, চৰাইদেউ, যোৰহাট আৰু গোলাঘাট জিলাৰ সৰ্বমুঠ ৯,২৮৯ গৰাকী যোগ্য হিতাধিকাৰীৰ বাবে ৪১.৬৭ কোটি টকাৰ ৰাজ্যিক ৰাজসাহায্য মুকলি কৰা হয়। অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে শিৱসাগৰ, চৰাইদেউ, যোৰহাট আৰু গোলাঘাট জিলাৰ বানাক্ৰান্ত ৰাইজক সহায়ৰ বাবে ৰাজ্য চৰকাৰে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। বিগত দিনকেইটাত চাৰিওখন জিলাৰ ৰাইজে যিধৰণে বানৰ সৈতে মোকাবিলা কৰিছে সেয়া সকলোৰে বাবে প্ৰেৰণা আৰু সাহসৰ প্ৰতীক বুলি মন্তব্য কৰি তেওঁ ইয়াৰ বাবে বন্যাক্ৰান্ত ৰাইজক ধন্যবাদ জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীয়ে নিকট আত্মীয়জনক হেৰুৱাৰ পিছতো ৰাইজে পৰম্পৰক কৰা সহায় আৰু স্বাভাৱিক অৱস্থা ঘূৰাই অনাৰ বাবে চলোৱা প্ৰচেষ্টাৰ শলাগ লয়। প্ৰলয়ংকাৰী বানৰ পিছৰে পৰা চৰকাৰী আৰু বেচৰকাৰী প্ৰচেষ্টাত বান প্ৰভাৱিত ৰাইজৰ সহায়ৰ বাবে চলা প্ৰচেষ্টাৰ বিষয়ে সদৰী কৰি মুখ্যমন্ত্ৰীয়ে কয় যে বানৰ খবৰ পোৱাৰ লগে লগে ৰাজ্য চৰকাৰৰ মন্ত্ৰী বিমল বড়া আৰু সুশান্ত বৰগোঁহাই বন্যাক্ৰান্ত অঞ্চলৰ ৰাইজৰ কাষত উপস্থিত হয়। বান সাহায্য প্ৰদান অভিযানত ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত জড়িত হৈ পৰে। মন্ত্ৰী পীযূষ হাজৰিকাও বান আক্ৰান্ত ৰাইজৰ কাষত উপস্থিত আছে। জিলাকেইখনৰ সমষ্টিসমূহৰ বিধায়কসকলেও ৰাজনৈতিক পৰিচয়ৰ উৰ্দ্ধলৈ গৈ বানাক্ৰান্ত ৰাইজক সহায় কৰিছে। চাৰিওখন জিলাৰ জিলা আয়ুক্তৰ নেতৃত্বত অসম চৰকাৰৰ বিষয়া-কৰ্মচাৰীসকলে বানাক্ৰান্ত ৰাইজক সহায়ৰ আপ্ৰাণ চেষ্টা কৰি আছে। বানাক্ৰান্তক সহায়ৰ বাবে বিভিন্ন বেচৰকাৰী সংগঠন, জাতীয় সংগঠন আৰু হৃদয়বান ৰাইজে ব্যক্তিগত আৰু সামূহিকভাৱে প্ৰচেষ্টা চলাই আছে। চৰকাৰী বা বেচৰকাৰী পৰ্যায়ত হোৱা এনে প্ৰয়াসক অধিক গতি দিবলৈ অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ সৈতে আলোচনা কৰি বানাক্ৰান্তক সহায়ৰ কেইবাটাও ঘোষণা ইতিমধ্যে ৰাজহুৱা কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে যোৱা ১ আগষ্টত চাৰিওখন জিলাৰ অৰুণোদয় হিতাধিকাৰীৰ বেংক একাউণ্টলৈ ২,৫০০ টকাকৈ প্ৰেৰণ কৰা হৈছে। ইয়াৰ উপৰি বেংকসমূহৰ সৈতে আলোচনা কৰি বন্যাক্ৰান্ত ৰাইজৰ বিভিন্ন ঋণৰ কিস্তি পৰিশোধত ৬ মাহৰ বিৰতিৰ ব্যৱস্থা কৰা হৈছে। বীমা কোম্পানীসমূহৰ সৈতে আলোচনা কৰি বন্যাক্ৰান্ত ৰাইজৰ ঘৰ বীমা, গাড়ী বীমা, ব্যৱসায় বীমা, জীৱন বীমা আদি বিভিন্ন বীমা আদায়ৰ প্ৰক্ৰিয়া সহজ আৰু খৰতকীয়া কৰাৰ পদক্ষেপ লোৱা হৈছে। ইয়াৰ বাবে বীমা কোম্পানীসমূহে জিলা পৰ্যায়ত নোডেল বিষয়া নিযুক্তি দিয়াৰ লগতে হেল্পলাইন স্থাপন কৰিব। কোম্পানীসমূহে ন্যূনতম নথি-পত্ৰৰ ভিত্তিত, প্ৰয়োজনত ভিডিঅ' কলৰ জৰিয়তে বীমাৰ খৰতকীয়া নিষ্পত্তি কৰিব আৰু স্থায়ী নিষ্পত্তি নোহোৱালৈকে অন্তৰ্বৰ্তীকালিনভাৱে বীমাৰ ধন প্ৰদান কৰিব। শিৱসাগৰ আৰু চৰাইদেউ জিলাত বানত বিধ্বস্ত হোৱা আন্তঃগাঁথনি নিৰ্মাণত চৰকাৰে গুৰুত্ব দিছে বুলি সদৰী কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ইতিমধ্যে বানত বিধ্বস্ত বিদ্যালয়ৰ মেৰামতিৰ বাবে তৎকালিনভাৱে ২.১০ লাখ টকাকৈ আগবঢ়োৱৰ কথা ঘোষণা কৰা হৈছে আৰু সমগ্ৰ শিক্ষা অভিযানে বিদ্যালয়সমূহৰ ক্ষয়-ক্ষতিৰ মূল্যায়ন কৰি আছে। অহা ৫ আগষ্টৰ ভিতৰত বিদ্যালয়সমূহৰ একাউণ্টলৈ ধনৰাশি প্ৰেৰণ কৰা হ'ব। দুয়োখন জিলালৈ শিক্ষা বিভাগে বিনামূলীয়া পাঠ্যপুথি প্ৰেৰণ কৰিছে আৰু মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ পৰা বিদ্যালয়ৰ কণ কণ শিশুসকলক পুনৰ দুযোৰকৈ ইউনিফৰ্ম দিয়াৰ বাবে প্ৰয়োজনীয় ধন সমগ্ৰ শিক্ষা অভিযানলৈ মুকলি কৰি দিয়া হৈছে। দুৰ্যোগকালত শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ বানাক্ৰান্ত ৰাইজৰ কাষত থিয় দিয়াৰ বাবে চৰকাৰৰ অংগীকাৰৰ কথা দোহাৰি মুখ্যমন্ত্ৰীয়ে কয় যে বানে বিধ্বস্ত কৰা প্ৰতিটো নামঘৰলৈ ডেৰ লাখকৈ টকা অহা ৭ আগষ্টৰ পূৰ্বে আগবঢ়োৱা হ'ব। ইয়াৰ উপৰি শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ বিদ্যুৎ গ্ৰাহকৰ জুলাইৰ ৩০০ ইউনিট পৰ্যন্ত বিদ্যুতৰ মাচুল ৰেহাই দিয়া হ'ব আৰু এবছৰৰ বাবে মাটিৰ খাজনা দিয়াৰ পৰা ৰেহাই দিয়া হ'ব। বন্যাক্ৰান্ত ৰাইজক আশ্ৰয় শিবিৰৰ পৰা বানত বিধ্বস্ত ঘৰখনলৈ উভতি যোৱাৰ বাবে বাচন-বৰ্তন, কাপোৰ কিনিবলৈ আৰু ঘৰখনত জমা হোৱা বোকা আদি আঁতৰাবলৈ নগদ ধনৰ অতিকৈ প্ৰয়োজন বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাইজৰ এই প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি প্ৰতিটো বানাক্ৰান্ত পৰিয়াললৈ ১৫ হেজাৰ টকাকৈ প্ৰেৰণ কৰা হৈছে। তেওঁ কয় যে শিৱসাগৰ জিলাৰ ৩৫,২৯৮ টা পৰিয়াল, চৰাইদেউ জিলাৰ ১৯,৮৮৩ টা পৰিয়াল, যোৰহাট জিলাৰ ৪,৯২২ টা পৰিয়াল আৰু গোলাঘাট জিলাৰ ২,৫৯৩ টা পৰিয়ালসহ মুঠ ৬২,৬৯৬ টা পৰিয়াললৈ ধনৰাশি প্ৰেৰণ কৰা হৈছে। কিন্তু এই পৰিয়ালসমূহৰ সংখ্যা ৭৫ হেজাৰৰ অধিক হোৱাৰ সম্ভাৱনা আছে। কাইলৈৰ ভিতৰত আন ১৫ হেজাৰ পৰিয়াললৈ ধনৰাশি মুকলি কৰা হ'ব। এই মূল্যায়ন অব্যাহত থাকিব আৰু ৫ আগষ্ট পৰ্যন্ত ধনৰাশি মুকলি কৰি থকা হ'ব। মুখ্যমন্ত্ৰীয়ে কয় যে অহা ৯ আগষ্ট পৰ্যন্ত শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ যিসকল বানাক্ৰান্ত ৰাইজ নিজ গৃহলৈ উভতি যাব নোৱাৰিব বা কঠিন বান পৰিস্থিতিৰ সন্মুখীন হৈয়ে থাকিব তেনে পৰিয়ালক অহা ১০ আগষ্টত পুনৰ ১০ হাজাৰ টকাকৈ প্ৰদান কৰা হ'ব। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে সাধাৰণতে বানত হোৱা ক্ষয়-ক্ষতিৰ চৰকাৰী জৰীপ ৬ মাহৰ পৰা ৯ মাহ পৰ্যন্ত চলি থাকে। ৰাইজে প্ৰায় ১ বছৰৰ পিছত বান সাহায্য লাভ কৰে। ৰাজ্য চৰকাৰে এই ব্যৱস্থাৰ পৰিৱৰ্তন কৰিব বিচাৰিছে। তেওঁ কয় যে বন্যাক্ৰান্ত ৰাইজৰ স্থায়ী ক্ষতিৰ বিপৰীতে সাহায্য দিয়াৰ বাবে জৰীপ কৰিবলৈ চাৰিওখন জিলাৰ বিষয়াসকলক অহা ৭ আগষ্টত যোৰহাটত প্ৰশিক্ষণ দিয়া হ'ব। প্ৰশিক্ষণপ্ৰাপ্ত বিষয়াসকলে ৮ আগষ্টত জিলাসমূহত সমীক্ষাকাৰীসকলক প্ৰশিক্ষণ প্ৰদান কৰিব আৰু ৯ বা ১০ আগষ্টৰ পৰা চাৰিওখন জিলাত বানত হোৱা স্থায়ী ক্ষতিৰ জৰীপ কাৰ্য আৰম্ভ হ'ব। ১০ দিনৰ ভিতৰত এই সমীক্ষা সম্পূৰ্ণ কৰা হ'ব আৰু আগষ্ট বা ছেপ্টেম্বৰৰ প্ৰথম সপ্তাহৰ ভিতৰত বানত হোৱা স্থায়ী ক্ষতিৰ পুঁজি মোকলাই দিয়া হ'ব। তেওঁ কয় যে স্থায়ী ক্ষতিৰ সমীক্ষা সম্পন্ন হোৱাৰ লগে লগে নীতি অনুসৰি কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰক পুঁজি যোগান ধৰিব বুলি প্ৰধানমন্ত্ৰীয়ে আশ্বাস দিছে। প্ৰধানমন্ত্ৰীৰ সাহস আৰু প্ৰেৰণাতে এনেদৰে জৰীপ কৰিবলৈ ৰাজ্য চৰকাৰে সাহস কৰিছে। ধনেৰে মৃত্যুৰ অপূৰণীয় ক্ষতি পূৰণ কৰিব নোৱাৰি বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে বানত মৃত্যু হোৱা লোকসকলৰ পৰিয়ালৰ কাষত থিয় হোৱাটো চৰকাৰৰ দায়িত্ব আৰু কৰ্তব্য। সেয়ে চৰকাৰে শিৱসাগৰ আৰু চৰাইদেউ জিলাত বানত মৃত্যু হোৱা লোকৰ নিকটাত্মীয়ক এছডিআৰএফৰ পৰা ৪ লাখ টকাৰ অনুকম্পামূলক সাহায্যৰ উপৰি মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ পৰা অতিৰিক্ত ৫ লাখ টকাৰ সৈতে মুঠ ৯ লাখ টকাৰ এককালীন সাহায্য আগবঢ়োৱাৰ পদক্ষেপ লৈছে। প্ৰধানমন্ত্ৰী সূৰ্য ঘৰ আঁচনিৰ দৰে ৰাজ্য চৰকাৰৰ আন আন বিভাগীয় আঁচনিৰ পৰা যাতে বানত ক্ষতিগ্ৰস্ত চাৰিওখন জিলাৰ ৰাইজ তাৎক্ষণিকভাৱে উপকৃত হয় তাৰ বাবে এটা কৰ্মসূচী প্ৰস্তুত কৰিবলৈ মুখ্যমন্ত্ৰীয়ে ৰাজ্যৰ মুখ্য সচিবক আহ্বান জনায়। অনুষ্ঠানত ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা আদি বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত, ৰূপান্তৰ আৰু উন্নয়ন আদি বিভাগৰ মন্ত্ৰী ৰামেশ্বৰ তেলী, বিধায়ক সঞ্জয় কিষাণ, প্ৰশান্ত ফুকন, তৰংগ গগৈ, বিনোদ হাজৰিকাৰ লগতে আভাসীয়ভাৱে কেইবাগৰাকী বিধায়ক, মুখ্য সচিব ড° ৰবি কোটা প্ৰমুখ্যে উচ্চপদস্থ বিষয়াবৰ্গ আৰু বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

## নিত্যানন্দৰ কলাগুৰু একাডেমীৰ গ্ৰীষ্মকালীন কৰ্মশালাৰ সামৰণি

# বজালীৰ তিনিগৰাকী বিশিষ্ট ব্যক্তিলৈ কলাগুৰু সন্মান

**অসম ভূমি সেৱা, পাঠশালা ঃ** বজালী জিলাৰ নিত্যানন্দস্থিত শৈক্ষিক আৰু সামাজিক প্ৰতিষ্ঠান কলাগুৰু একাডেমীৰ উদ্যোগত আয়োজন কৰা সপ্তাহজোৰা গ্ৰীষ্মকালীন কৰ্মশালাৰ যোৱা শনিবাৰে বৰ্ণাঢ্য অনুষ্ঠানৰ মাজেৰে সফল সামৰণি পৰে। কণ কণ ছাত্ৰ-ছাত্ৰীৰ সুপ্ত প্ৰতিভাৰ বিকাশ আৰু সৃষ্টিশীল মনোভাব গঢ়ি তোলাৰ লক্ষ্যৰে আয়োজন কৰা এই কৰ্মশালাই অভিভাৱক আৰু সচেতন মহলৰ পৰা ব্যাপক সঁহাৰি লাভ কৰে। উল্লেখ্য যে যোৱা ২৫ জুলাইৰ পৰা ১ আগষ্টলৈ অনুষ্ঠিত কৰ্মশালাখনত চাৰুকলা, কাৰুকলা, নৃত্য, বিজ্ঞান, সাহিত্য, সংস্কৃতি আদি বিভিন্ন বিষয়ত ছাত্ৰ-ছাত্ৰীসকলক অভিজ্ঞ প্ৰশিক্ষকৰ দ্বাৰা প্ৰশিক্ষণ প্ৰদান কৰা হয়। কৰ্মশালাৰ জৰিয়তে অংশগ্ৰহণকাৰীসকলে সৃষ্টিশীল দক্ষতা বিকাশৰ লগতে বিভিন্ন ক্ষেত্ৰত নিজৰ প্ৰতিভা প্ৰদৰ্শনৰ সুযোগ লাভ কৰে। উদ্‌যাপন সমিতিৰ সভাপতি তপন চৌধুৰীৰ সভাপতিত্বত, সঞ্চালক মৃণ্ময় পাঠকে উদ্দেশ্য ব্যাখ্যা কৰা আৰু পৰাগ শৰ্মাই আঁত ধৰা মুকলি সভা, সম্বৰ্ধনা আৰু 'কলাগুৰু ২০২৬' বঁটা প্ৰদান অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি বজালী সমষ্টিৰ বিধায়ক ধৰ্মেশ্বৰ ৰয়ে ভাষণ প্ৰসংগত কলাগুৰু একাডেমীয়ে বৃহত্তৰ নিত্যানন্দ অঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক, বৌদ্ধিক দিশৰ উপৰি সাংস্কৃতিক দিশতো আগবঢ়াই নিব বুলি আশা প্ৰকাশ কৰি শিক্ষানুষ্ঠানখনৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰে। অনুষ্ঠানৰ প্ৰাৰম্ভতে কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা আৰু জুবিন গাৰ্গক প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে কলাগুৰু একাডেমীৰ সভাপতি ফুকন পাঠকে। জনপ্ৰিয় অভিনেত্ৰী অংকিতা শইকীয়াই বিশিষ্ট অতিথি হিচাপে উপস্থিত থকা অনুষ্ঠানত সমাজলৈ বিশেষ অৱদান আগবঢ়োৱাৰ স্বীকৃতিস্বৰূপে তিনিগৰাকী বিশিষ্ট ব্যক্তিক 'কলাগুৰু ২০২৬' বঁটা প্ৰদান কৰা হয়। শিক্ষাৰ ক্ষেত্ৰত



আগবঢ়োৱা অৱদানৰ বাবে শিক্ষাবিদ, আনন্দৰাম বৰুৱা একাডেমীৰ ৰেক্টৰ তথা সঞ্চালক ড° ৰণজিৎ ডেকাক, অভিনয় তথা নাট্যচৰ্চাৰ ক্ষেত্ৰত অৱদানৰ বাবে বিশিষ্ট নাট্যকাৰ-পৰিচালক, অভিনেতা কিশোৰ তহবিলদাৰক আৰু চিকিৎসা সেৱাৰ ক্ষেত্ৰত অনবদ্য অৱদানৰ বাবে বিশিষ্ট চিকিৎসক ডাঃ কুলেন কাকতিক এই বঁটা প্ৰদান কৰা হয়। বঁটাত গামোচা, চেলেং চাদৰ, জাপি, স্মাৰক প্ৰতীকপট, সম্বৰ্ধনাপত্ৰৰ লগতে একোটাকৈ নিম গছপুলি প্ৰদান কৰা হয়। আনহাতে কলাগুৰু একাডেমীয়ে আয়োজন কৰা গ্ৰীষ্মকালীন কৰ্মশালাত অনুষ্ঠিত চিত্ৰাংকণ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীসকলৰ মাজত পুৰস্কাৰসমূহো বিতৰণ কৰা হয়। অনুষ্ঠানত বজালী জিলা বিজেপিৰ সভাপতি মুকুট কলিতা, অগপ বজালী সমষ্টিৰ সম্পাদক বুবুল আহমেদ, নিত্যানন্দ আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি মনোজ চৌধুৰী, ৰাজমুকুট থিয়েটাৰৰ প্ৰযোজক মানস কলিতা, সহঃ প্ৰযোজিকা জয়শ্ৰী ভৰালীৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি, অভিভাৱক আৰু স্থানীয় ৰাইজ উপস্থিত থাকে। সভাৰ পাছতে শিক্ষানুষ্ঠানখনৰ ছাত্ৰ-ছাত্ৰীসকলৰ নৃত্য পৰিৱেশনেৰে অনুষ্ঠানৰ সামৰণি পৰে।

## অসম ভিত্তিত ডাকযোগে চিত্ৰাংকন প্ৰতিযোগিতা

**গুৱাহাটী ঃ** শিক্ষাৰ উত্তৰণৰ হকে গঠিত ন্যাস পৰেশ বৈশ্য ফাউণ্ডেচনে সদৌ অসম ভিত্তিত এখন ডাকযোগে মুকলি চিত্ৰাংকন প্ৰতিযোগিতা আয়োজন কৰিছে। ২৫ বছৰৰ তলৰ যিকোনো লোকে এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব পাৰিব। চিত্ৰাংকনৰ বিষয়— বান- বিভীষিকা। প্ৰতিয়োগিতাত অংশগ্ৰহণকাৰীসকলৰ পাঁচজনক যোগ্যতাৰ ভিত্তিত পুৰস্কৃত কৰা হ'ব। ভৰ্তি মাচুল নালাগে। প্ৰতিযোগীসকলে চিত্ৰাংকনসমূহ অহা ২০ আগষ্টৰ ভিতৰত পোৱাতকৈ তলৰ ঠিকনাত পোৱাকৈ ডাকযোগে পঠিয়াব লাগিব। বিজয়ীসকলক অহা ১৫ ছেপ্টেম্বৰত বিয়লি ৩ বজাত গুৱাহাটী প্ৰেছ ক্লাবত অনুষ্ঠিতব্য পৰেশ বৈশ্য ফাউণ্ডেচনৰ 'শিক্ষা সাংবাদিকতা দিন'ত পুৰস্কাৰ প্ৰদান কৰা হ'ব। প্ৰতিযোগীসকলে চিত্ৰাংকনৰ ওলোটা ফালে নিজৰ নাম, সম্পূৰ্ণ ঠিকনা, ফোন নম্বৰ শুদ্ধকৈ লিখিব লাগিব। চিত্ৰাংকন পঠিওৱাৰ ঠিকনা ঃ পৰেশ বৈশ্য, পৰিচালন ন্যাসৰক্ষী, পৰেশ বৈশ্য ফাউণ্ডেচন, গৃহ নম্বৰ-৫, হাউছফেড হাউছিং কমপ্লেক্স, পশ্চিম বৰাগাঁও, ডাকঃ গড়চুক, গুৱাহাটী- ৭৮১০৩৫, কামৰূপ মহানগৰ, অসম।

# কামৰূপ মহানগৰ জিলাত বিশ্ব স্তনপান সপ্তাহ আৰম্ভ

**গুৱাহাটী ঃ** যোৱা ১ আগষ্টত সমগ্ৰ ৰাজ্যৰ লগতে কামৰূপ মহানগৰ জিলাতো বিশ্ব স্তনপান সপ্তাহ আৰম্ভ কৰা হয়। কামৰূপ মহানগৰ জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত সাতগাঁও ৰাজ্যিক আয়ুষ্মান আৰোগ্য মন্দিৰত সপ্তাহজোৰা কাৰ্যসূচীৰ আৰম্ভণি কৰে কামৰূপ মহানগৰ জিলাৰ যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ সঞ্জীৱ কুমাৰ শইকীয়াই। বিশ্ব স্তনপান সপ্তাহ প্ৰতি বছৰে ১ আগষ্টৰ পৰা ৭ আগষ্টলৈ ৰাজ্যজুৰি পালন কৰা হয়। এই সপ্তাহ পালনৰ উদ্দেশ্য হৈছে মাতৃদুগ্ধৰ উপকাৰিতাৰ বিষয়ে সমাজত সজাগতা সৃষ্টি কৰা, মাতৃসকলক স্তনপানৰ ক্ষেত্ৰত উপযুক্ত পৰামৰ্শ আৰু সহযোগিতা আগবঢ়োৱা, লগতে প্ৰতিগৰাকী শিশুৱে জীৱনৰ আৰম্ভণিৰ পৰাই সঠিক পুষ্টি লাভ কৰাটো নিশ্চিত কৰা। অনুষ্ঠানত জিলা প্ৰতিষেধক বিষয়া ডাঃ ভবেন্দ্ৰ কুমাৰ দাস, সাতগাঁও ৰাজ্যিক আয়ুষ্মান আৰোগ্য মন্দিৰৰ ভাৰপ্ৰাপ্ত খণ্ড চিকিৎসা আৰু স্বাস্থ্য বিষয়া ডাঃ ধ্ৰুৱ ৰাজবংশী, জিলা আয়ুষ ন'ডেল বিষয়া ডাঃ কৰবী হাজৰিকা, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান কামৰূপ মহানগৰৰ DPM, DME, DCM, চিকিৎসালয়খনৰ চিকিৎসক-স্বাস্থ্য কৰ্মীৰ লগতে গৰ্ভৱতী আৰু প্ৰসূতি মাতৃসকল উপস্থিত থাকে। বিশ্ব স্তনপান সপ্তাহ উপলক্ষে কামৰূপ মহানগৰ জিলাৰ স্বাস্থ্য কেন্দ্ৰসমূহত সপ্তাহজুৰি স্তনপান বিষয়ক সজাগতা সভা, স্বাস্থ্য শিক্ষা, পৰামৰ্শদান কাৰ্যসূচী, গৰ্ভৱতী আৰু প্ৰসূতি মাতৃসকলৰ সৈতে আলোচনা সভা, প্ৰচাৰ পত্ৰিকা বিতৰণ আদি কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব।

# বিমল ডেকাৰ গ্ৰন্থ 'পানীডোঙাৰ বেঙুনীয়া ফুলবোৰ' উন্মোচন

**গুৱাহাটী ঃ** অসম অসামৰিক সেৱাৰ জ্যেষ্ঠ বিষয়া, অসম চৰকাৰৰ সাধাৰণ প্ৰশাসন বিভাগত অতিৰিক্ত সচিব হিচাপে কাৰ্যনিৰ্বাহ কৰি থকা, বিশিষ্ট কবি-সাহিত্যিক বিমল ডেকাৰ চতুৰ্থখন কবিতা পুথি 'পানীডোঙাৰ বেঙুনীয়া ফুলবোৰ' গুৱাহাটী প্ৰেছ ক্লাবত যোৱা ২ আগষ্টত অনুষ্ঠিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত উন্মোচন কৰা হয়। গ্ৰন্থখন উন্মোচন কৰে বিশিষ্ট সাংবাদিক, কথাশিল্পী অনুৰাধা শৰ্মা পূজাৰীয়ে। অনুষ্ঠানত ভাষণ প্ৰসংগত অনুৰাধা শৰ্মা পূজাৰীয়ে কয় যে ব্যস্ততাৰ মাজতো যি মানুহে আকাশলৈ চাবলৈ নাপাহৰে, যি মানুহে বৰষুণৰ আমেজ ল'বলৈ নাপাহৰে তেওঁহে জীৱনৰ প্ৰকৃত সাৰ্থকতা বিচাৰি পায়। কবিতা প্ৰকৃতিৰ পৰাই আহে। বিমল ডেকাই ৰাজ্য প্ৰশাসনৰ জ্যেষ্ঠ বিষয়া হিচাপে অতি ব্যস্ততাপূৰ্ণ জীৱনৰ মাজতো প্ৰকৃতিৰ সৈতে নিজকে সম্পৃক্ত ৰাখি, শিপাৰ সৈতে



নিজকে জড়িত কৰি ধাৰাবাহিকভাৱে কবিতাৰ চৰ্চা কৰি আহিছে যিয়ে সমগ্ৰ সমাজখনৰ বাবেই আশাৰ বতৰা কঢ়িয়াই আনিছে। বিমল ডেকাৰ 'পানীডোঙাৰ বেঙুনীয়া ফুলবোৰৰ' কবিতাসমূহ জাপানী হাইকুসমূহৰ অনুপ্ৰেৰণাত ৰচনা কৰা হৈছে যদিও চুটি চুটি কবিতাসমূহৰ গঠন আৰু সৰলতাই হীৰুদাৰ কবিতাসমূহৰ দৰেই পাঠকৰ অন্তৰ চুবলৈ সক্ষম হ'ব। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি লেখক তথা অসম চৰকাৰৰ অৱসৰপ্ৰাপ্ত আয়ুক্ত সচিব থানেশ্বৰ মালাকাৰে বিমল ডেকাৰ সৈতে থকা দীঘলীয়া সান্নিধ্যৰ কথা বৰ্ণনা কৰি বিমল ডেকাৰ কবিতাৰ এক সম্যক বৰ্ণনা আগবঢ়োৱাৰ লগতে বিমল ডেকাক গদ্য ৰচনাতো হাত দিবলৈ অনুৰোধ জনায়। উল্লেখ্য যে কবি বিমল ডেকাই পানীডোঙাৰ বেঙুনীয়া ফুলবোৰ কবিতা পুথিখন উৎসৰ্গা কৰিছে 'বেলশৰ' গাঁওখনৰ প্ৰতি আৰু অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থকা 'অসমীয়া প্ৰতিদিন' কাকতৰ মুখ্য সহযোগী সম্পাদক অচ্যুত কুমাৰ পাটোৱাৰীক গাঁৱৰ প্ৰতিনিধি হিচাপে গ্ৰন্থখন অৰ্পণ কৰে কবি বিমল ডেকাই। বিশিষ্ট অতিথিৰ ভাষণত বিমল ডেকাৰ প্ৰতিভাৰ বিভিন্ন দিশ অৱলোকন কৰাৰ লগতে একেখন গাঁও বেলশৰত জন্ম লোৱা ব্যক্তি হিচাপে গাঁও আৰু পৰিয়ালৰ বিষয়েও চমু অৱলোকন আগবঢ়ায়। অনুষ্ঠানত ভাষণ প্ৰসংগত অচ্যুত পাটোৱাৰীয়ে পাৰ্বতি প্ৰসাদ বৰুৱাৰ এটি গীত পৰিৱেশনেৰে সকলোকে আপ্লুত কৰে। অনুষ্ঠানত আন এগৰাকী বিশিষ্ট অতিথি 'প্ৰকাশ' আলোচনীৰ সম্পাদক মিহিৰ দেউৰীয়ে ভাষণত কাব্য সাহিত্যৰ বিভিন্ন ধাৰাৰ আলমত বিমল ডেকাৰ কবিতাপুথিখনৰ এক চমু বিশ্লেষণ আগবঢ়ায়। সুলেখক তথা ঘোষক বিজয় শংকৰ শৰ্মাই আঁত ধৰা সভাৰ আৰম্ভণিতে আদৰণী ভাষণ প্ৰদান কৰি কবি বিমল ডেকাই কবিতাসমূহ ৰচনাৰ ক্ষেত্ৰত জাতীয় কবি আনিছ উজ জামানৰ পৰা উৎসাহ আৰু অনুপ্ৰেৰণা লাভ কৰা বুলি কয়। কবিৰ প্ৰয়াত পিতৃ ৰমেশ চন্দ্ৰ ডেকাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণেৰে আৰম্ভ কৰা অনুষ্ঠানত গ্ৰন্থখনৰ প্ৰচ্ছদ তথা অন্তৰ্ভাগৰ শিল্পী অংকিতা ডেকাই অনুভৱ ব্যক্ত কৰে। অনিন্দিতা ডেকাই গ্ৰন্থখনৰ পৰা তিনিটা কবিতা পাঠ কৰি উপস্থিত সকলোকে আপ্লুত কৰাৰ লগতে অসম জাতীয় বিদ্যালয়ৰ কুঁহি শ্ৰেণীৰ ছাত্ৰ কণমানি শিশু অক্লান্ত বিজয় শৰ্মাই এটি বিষ্ণু ৰাভা গীত পৰিৱেশন কৰি সকলোকে সন্মোহিত কৰে। সমজুৱাৰ ফালৰ পৰা লেখিকা তথা প্ৰশাসনিক বিষয়া ইন্দ্ৰাণী লস্কৰ, প্ৰশাসনিক বিষয়া তথা কবি কমল বৰুৱাই বক্তব্য প্ৰদান কৰে। অনুষ্ঠানত প্ৰকাশক ববিতা ডেকা, লেখক পুৰন্দৰ পাটগিৰি, লেখক তথা প্ৰযোজক গোপাল জালান, বাৰ্তাপখিলী আলোচনীৰ সম্পাদক ব্ৰজেন্দ্ৰ ডেকাকে ধৰি সাহিত্য ক্ষেত্ৰখনৰ লগত জড়িত বহুকেইগৰাকী বিশিষ্ট ব্যক্তি আৰু কাব্যপ্ৰেমী উপস্থিত আছিল।

অসম ভূমি ■ ৫ আগষ্ট, ২০২৬ ■

সম্পাদকৰ মেজৰ পৰা...

# নিবনুৱা সমস্যাৰ সৰ্বগ্ৰাসী ৰূপ

কৈশোৰ পাৰ হৈ যৌৱনত ভৰি দিয়েই অথবা যৌৱনকালত আনুষ্ঠানিক শিক্ষা সমাপ্ত কৰিয়েই প্ৰতিজন লোকে কৰ্মসংস্থাপন বিচাৰে। নিবিচৰাটো ব্যতিক্ৰম। নিজৰ দক্ষতা অনুযায়ী কাম এটা পোৱাটো স্বাধীন দেশৰ নাগৰিকৰ অধিকাৰ হিচাপে স্বীকৃত হোৱা উচিত। কিন্তু বিশ্বৰ কোনো পুঁজিবাদী দেশতে কাম কৰাৰ অধিকাৰক মৌলিক অধিকাৰ হিচাপে স্বীকৃতি দিয়া নহয়। ফলত সমাজত এনে এক শ্ৰেণীৰ মানুহৰ সৃষ্টি হয়, যিসকলৰ কাম কৰাৰ অৰ্হতা তথা দক্ষতা আছে অথচ কৰ্মসংস্থাপন বিচাৰি হাবাথুৰি খাই ফুৰিছে। এনে লোকসকলক নিবনুৱা আখ্যা দিয়া হয়। এওঁলোকক বেকাৰ বুলিও কোৱা নহয়। বেকাৰ মানে কোনো কামত নলগা। সমাজত বেকাৰসকলৰ কোনো সন্মানজনক স্থান নাই। এটা কথা স্মৰণ কৰাই দিয়া প্ৰয়োজন যে এই নিবনুৱাসকলো সমাজৰেই সৃষ্টি। সামাজিক আৰু বিত্তীয় ব্যৱস্থাপনাৰ ত্ৰুটীৰ ফলতহে সকলো যোগ্যতা তথা সত্বেও কিছুমানলোকে নিৰ্দিষ্ট বয়স সীমা অতিক্ৰম কৰাৰ আগতে কৰ্মসংস্থাপন লাভ কৰিবলৈ সমৰ্থ নহয়। তেনে লোকৰ ভিতৰত অনেক কাৰিকৰী শিক্ষাপ্ৰাপ্ত লোকো আছে। সাধাৰণ কলা বা বিজ্ঞানৰ স্নাতকৰ কথাই নকওঁ, আই আই টিৰ দৰে সন্মানজনক শিক্ষা প্ৰতিষ্ঠানৰ ডিগ্ৰীধাৰী ছাত্ৰয়ো কৰ্মসংস্থাপনৰ অভাৱত ভুগিবলগীয়া হৈছে। অথচ এনে উচ্চ শিক্ষানুষ্ঠানৰ পৰা কৃতকাৰ্যতাৰে শিক্ষা সমাপ্ত কৰি অহা প্ৰতিজন ছাত্ৰৰ বাবে লাখ লাখ টকা ৰাজহুৱা ধন ব্যয় কৰিব লগা হয়। সেই শিক্ষা বাস্তৱত প্ৰয়োগ কৰাৰ সুযোগ নাপালে শিক্ষাৰ বাবে ব্যয় কৰা ধনৰ অপচয় হয়। আমাৰ দেশত উপযুক্ত কৰ্মসংস্থাপনৰ অভাৱৰ বাবে বৃহৎ সংখ্যক মেধাৱীৰ ছাত্ৰই দেশৰ এৰি অন্য গমন কৰিব লগা হৈছে। মেধাৰ বহিৰ্গমনৰ ফলত তেওঁলোকৰ সেৱাও পৰা আমাৰ দেশ-বঞ্চিত হৈছে। সমাজত নিবনুৱাৰ সংখ্যা বৃদ্ধি হোৱাটো শুভ লক্ষণ নহয়। ইয়াৰ ফলত দেশৰ অৰ্থনৈতিক প্ৰগতি বাধাগ্ৰস্ত হয়। নিবনুৱাৰ ভৰা দেশ এখনত মানুহৰ ক্ৰয়ক্ষমতা হ্ৰাস পায়। বজাৰত পণ্যৰ চাহিদা কমি আহে আৰু কল-কাৰখানাৰ মালিকসকলে উৎপাদন কমাই দিবলগীয়া হয়। তাৰ পৰিণামস্বৰূপে নতুন কৰ্মসংস্থাপন সৃষ্টি নহয়। অনেক ক্ষেত্ৰত কৰ্মৰত শ্ৰমিককো ছাটাই কৰিব লগাত পৰে। আমাৰ দেশে যিহেতু আৰ্থিক নীতি হিচাপে পুঁজিবাদ গ্ৰহণ কৰিছে, পুঁজিপতিৰ মুনাফাবৃদ্ধিয়ে সকলো আৰ্থিক নীতিৰ মূল লক্ষ্য হৈ পৰে। তথাপিও নিবনুৱা সমস্যা পুজিবাদী আৰ্থিক নীতি নিৰ্ধাৰণকাৰীসকলৰো চিন্তাৰ কাৰণ হৈ আহিছে। মানুহৰ ক্ৰয়ক্ষমতা বৃদ্ধিৰ লক্ষ্য আগত ৰাখি নিবনুৱাসকলক কিঞ্চিৎ সকাহ দিয়াৰ বাবে পুঁজিবাদী ৰাষ্ট্ৰসমূহেও কেতবোৰ ব্যৱস্থা গ্ৰহণ কৰা দেখা যায়। পাশ্চাত্যৰ উন্নত দেশবোৰত নিবনুৱাসকলক ভাট্টা দিয়া হয়। অৱশ্যে সেইবোৰ দেশত কৰ্মৰত শ্ৰমিকৰ তুলনাত নিবনুৱাসকলক প্ৰদান কৰা ভাট্টাৰ পৰিমাণ যথেষ্ট কম। তাৰ তুলনাত আমাৰ দেশত চলি থকা এমজি এনৰেগাৰ জৰিয়তে আগবঢ়োৱা সা-সুবিধা অনেক বেছি। কিন্তু এইবোৰ সাময়িক ব্যৱস্থা। নিবনুৱা সমস্যাই সমাজৰ সকলো দিশতে আক্ৰমণ কৰিছে। সেই বাবেই ইয়াৰ সমাধানৰ পথৰ সন্ধান কৰোতে আনুসংগিক সকলো দিশ সামৰি ল'ব লাগিব। সীমিত সংখ্যক কৰ্ম সংস্থাপন সৃষ্টিৰে চৰকাৰে কেতিয়াও নিবনুৱা সমস্যা সমাধান কৰিব নোৱাৰে। এই কথা অপ্ৰিয় হ'লেও সকলোৰেই মানি লৈ আত্মনিৰ্ভৰ হ'বলৈয়ো চেষ্টা কৰিব লাগিব।



# ডাকৰ বচন, কৃষিভিত্তিক বিশ্বাস আৰু পৰম্পৰা

নলিনী ৰঞ্জন ভূঞা

অসমৰ অৰ্থনীতি, সমাজ ব্যৱস্থা আৰু সংস্কৃতিৰ মূল ভেটিয়েই হৈছে কৃষি। যুগ যুগ ধৰি পথাৰৰ মাটি, ঋতুচক্ৰ আৰু প্ৰকৃতিৰ নিয়মক কেন্দ্ৰ কৰি অসমীয়া চহা মানুহৰ জীৱন-জীৱিকা গঢ় লৈ উঠিছে। খেতিয়কৰ হাড়ভগা পৰিশ্ৰম, কপালৰ ঘাম আৰু নাঙলৰ সীৰলুৰে সেউজীয়া হৈ উঠা পথাৰখনেই অসমীয়া জাতীয় জীৱনৰ অন্যতম ভেটি। এই কৃষিজীৱী সমাজখনত অতীজৰে পৰা দৈনন্দিন জীৱনৰ অবিচ্ছেদ্য অংগ হিচাপে বিভিন্ন প্ৰবাদ-প্ৰবচন, ফকৰা-যোজনা, লোকবিশ্বাস আৰু লোকাচাৰৰ প্ৰচলন চলি আহিছে। কথাই কথাই ফকৰা-যোজনাৰে কথোপকথনক সজীৱ, ৰসাল আৰু অৰ্থৱহ কৰি তোলাত আমাৰ সমাজৰ জ্যেষ্ঠসকল বিশেষভাৱে পাৰ্গত আছিল।

এই বাকচাতুৰ্যপূৰ্ণ ফকৰা-যোজনা আৰু লোকবচনসমূহ অসমীয়া জাতিৰ পূৰ্বপুৰুষসকলৰ অমূল্য সাংস্কৃতিক সম্পদ। মুখে মুখে প্ৰচলিত এই মৌখিক ঐতিহ্যৰ জৰিয়তেই ভাষা, সাহিত্য আৰু লোকজ জ্ঞানৰ এক শক্তিশালী ধাৰাৰ বিকাশ ঘটিছিল। লিখিত ৰূপ নাথাকিলেও এই মৌখিক পৰম্পৰাই লোকসাহিত্যৰ অন্যতম প্ৰধান বাহক হিচাপে যুগ যুগ ধৰি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে।

অসমৰ বুকুত যুগ যুগ ধৰি বসবাস কৰি অহা বিভিন্ন জাতি-জনগোষ্ঠীয়ে প্ৰকৃতিৰ সৈতে নিবিড় সহাৱস্থানৰ মাজেৰে বহু মূল্যৱান অভিজ্ঞতা আহৰণ কৰিছিল। ঋতুৰ পৰিৱৰ্তন, বতৰৰ গতিবিধি, নদ-নদীৰ স্বভাৱ, মাটিৰ গুণাগুণ আৰু শস্য উৎপাদনৰ বাস্তৱ অভিজ্ঞতা তেওঁলোকে গভীৰভাৱে পৰ্যবেক্ষণ কৰিছিল। এই দীৰ্ঘদিনীয়া অভিজ্ঞতাই কালক্ৰমত বিভিন্ন লোকবিশ্বাস, আচাৰ-অনুষ্ঠান আৰু কৃষিভিত্তিক পৰম্পৰাৰ জন্ম দিয়ে। এই লোকবিশ্বাসসমূহৰ সকলোবোৰ আধুনিক বৈজ্ঞানিক মানত প্ৰমাণিত নহ'লেও, ইয়াৰ বহুতো দিশত প্ৰকৃতি পৰ্যবেক্ষণ, ঋতুচক্ৰৰ জ্ঞান আৰু কৃষি জীৱনৰ ব্যৱহাৰিক অভিজ্ঞতাৰ এক সুদৃঢ় ভেটি প্ৰতিফলিত হৈছে। সেইবাবেই এইবোৰক কেৱল অন্ধবিশ্বাস বুলি উলাই কৰিব নোৱাৰি।

অসমীয়া লোকসাহিত্যৰ অন্যতম প্ৰাচীন আৰু মূল্যৱান ধাৰা হৈছে ‘ডাকৰ বচন’। শ শ বছৰ ধৰি মানুহৰ মুখে মুখে প্ৰচলিত এই বচনসমূহত কৃষি, স্বাস্থ্য, সমাজনীতি, নৈতিকতা আৰু দৈনন্দিন জীৱনৰ বহু ব্যৱহাৰিক উপদেশ সাৱগৰ্ভভাৱে প্ৰকাশ পাইছে। ‘ডাক’ আছিল এজন দূৰদৰ্শী, প্ৰজ্ঞাৱান আৰু অভিজ্ঞ ব্যক্তি। তেওঁৰ প্ৰকৃত পৰিচয়, জন্মস্থান বা জীৱনকাল সম্পৰ্কে নিশ্চিত তথ্য পোৱা নাযায়। পণ্ডিতসকলৰ মতে, পঞ্চদশ শতিকাৰ পূৰ্বে তেওঁৰ নামেৰে এই বচনসমূহ অসমত প্ৰচলিত হৈছিল। আনহাতে, এটা প্ৰচলিত জনবিশ্বাস অনুসৰি বৰপেটা জিলাৰ লেহিডঙৰা গাঁৱক ডাকৰ জন্মস্থান বুলি কোৱা হয়। এই সম্পৰ্কত এটা জনপ্ৰিয় বচন আছে— ‘লেহিডঙৰা ডাকৰ গাঁও, সাতশ সাতোটা পুখুৰীৰ নাও’।

*প্ৰকৃততে ‘ডাক’ ব্যক্তি নে প্ৰতীক —এই বিষয়ে পণ্ডিতসকলৰ মাজত মত প্ৰাৰ্থক্য আছে। একাংশ গৱেষকৰ মতে, ডাক আছিল এজন বাস্তৱ ব্যক্তি, যিয়ে দীৰ্ঘদিনৰ কৃষি, সমাজ আৰু প্ৰকৃতি সম্পৰ্কীয় অভিজ্ঞতাক সৰল পদ্যৰ ৰূপত প্ৰকাশ কৰিছিল। আনহাতে, আন একাংশৰ মতে, ‘ডাক’ কোনো এজন নিৰ্দিষ্ট ব্যক্তিৰ নাম নহয়, ই যুগে যুগে বিভিন্ন অভিজ্ঞ কৃষক, জ্যোতিষী আৰু লোকজ্ঞানসম্পন্ন ব্যক্তিৰ মুখে মুখে প্ৰচলিত হৈ অহা ব্যৱহাৰিক জ্ঞানৰ এক প্ৰতীকী নাম। সেয়ে ডাকৰ বচনক এজন ব্যক্তিৰ একক সৃষ্টি বুলি কোৱাতকৈ অসমীয়া কৃষিজীৱী সমাজৰ সামূহিক লোকপ্ৰজ্ঞাৰ ফচল বুলিয়েই বহু গৱেষকে অধিক গ্ৰহণযোগ্য বুলি বিবেচনা কৰে।*

উল্লেখ্য যে প্ৰকৃততে ‘ডাক’ ব্যক্তি নে প্ৰতীক —এই বিষয়ে পণ্ডিতসকলৰ মাজত মত প্ৰাৰ্থক্য আছে। একাংশ গৱেষকৰ মতে, ডাক আছিল এজন বাস্তৱ ব্যক্তি, যিয়ে দীৰ্ঘদিনৰ কৃষি, সমাজ আৰু প্ৰকৃতি সম্পৰ্কীয় অভিজ্ঞতাক সৰল পদ্যৰ ৰূপত প্ৰকাশ কৰিছিল। আনহাতে, আন একাংশৰ মতে, ‘ডাক’ কোনো এজন নিৰ্দিষ্ট ব্যক্তিৰ নাম নহয়, ই যুগে যুগে বিভিন্ন অভিজ্ঞ কৃষক, জ্যোতিষী আৰু লোকজ্ঞানসম্পন্ন ব্যক্তিৰ মুখে মুখে প্ৰচলিত হৈ অহা ব্যৱহাৰিক জ্ঞানৰ এক প্ৰতীকী নাম। সেয়ে ডাকৰ বচনক এজন ব্যক্তিৰ একক সৃষ্টি বুলি কোৱাতকৈ অসমীয়া কৃষিজীৱী সমাজৰ সামূহিক লোকপ্ৰজ্ঞাৰ ফচল বুলিয়েই বহু গৱেষকে অধিক গ্ৰহণযোগ্য বুলি বিবেচনা কৰে।

অসমীয়া সমাজত ডাকৰ বচনক কেৱল সাহিত্যিক সম্পদ বুলিয়েই গণ্য কৰা নহয়, কৃষি জীৱনৰ ব্যৱহাৰিক নিৰ্দেশিকা হিচাপেও ইয়াৰ বিশেষ মৰ্যাদা আছে। অতীতত যেতিয়া কৃষি সম্পূৰ্ণৰূপে প্ৰকৃতি আৰু বতৰৰ ওপৰত নিৰ্ভৰশীল আছিল, তেতিয়া চহা কৃষকসকলে আকাশৰ মেঘ, বতাহৰ গতি, ঋতুৰ লক্ষণ আৰু প্ৰাকৃতিক পৰিৱেশ পৰ্যবেক্ষণ কৰি কৃষিকাৰ্যৰ সময় নিৰ্ধাৰণ কৰিছিল। এই দীৰ্ঘ অভিজ্ঞতাৰেই ফচল হৈছে ডাকৰ বচন। ড° লীলা গগৈৰ মতে— ‘ডাকৰ বচন হ'ল অসমীয়া জনজীৱনৰ ব্যৱহাৰিক

■ ১০ পৃষ্ঠাত

*চলিত বানত উজনি অসমৰ শিৱসাগৰ, চৰাইদেউ, যোৰহাট, ডিব্ৰুগড়, গোলাঘাট, ধেমাজি আৰু তিনিচুকীয়া জিলা আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত হৈছে। জুলাই মাহৰ তথ্য অনুসৰি, ৰাজ্যখনৰ প্ৰায় ৭.২৭ লাখৰো অধিক লোক এই বিধ্বংসী বানৰ কবলত পৰিছে আৰু মৃত্যুৰ সংখ্যাই অৰ্ধশতকৰ ঘৰ স্পৰ্শ কৰিছেগৈ। চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশ আৰু নাগালেণ্ডত সংঘটিত হোৱা ডাৱৰ বিস্ফোৰণ আৰু স্বাভাৱিকতকৈ বহুগুণে (প্ৰায় ১৪১%ৰ পৰা ৪৩৬% পৰ্যন্ত) অধিক মাত্ৰাত হোৱা বৰষুণৰ ফলত নামনিৰ জিলাসমূহত এই হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হয়। ব্ৰহ্মপুত্ৰৰ উপৰি উজনিৰ প্ৰধান উপনৈসমূহ যেনে— বুঢ়ীদিহিং, দিখৌ, দিচাং আৰু ধনশিৰিৰ জলস্তৰ বিপদসীমাৰ বহু ওপৰেৰে বৈ গৈছে। ডিব্ৰুগড়ৰ খোৱাং অঞ্চলত বুঢ়ীদিহিং, নামতি আৰু নাজিৰাত দিখৌ, লগতে শিৱসাগৰৰ নাঙলমূৰাঘাটত দিচাং নৈয়ে পূৰ্বৰ সকলো সৰ্বোচ্চ জলস্তৰৰ অভিলেখ ভংগ কৰিছে। ইউৰোপীয় সংঘৰ কপাৰনিকাছ উপগ্ৰহৰ শেহতীয়া চিত্ৰই দেখুৱাইছে যে যোৰহাটৰ সমীপত ব্ৰহ্মপুত্ৰৰ পানী ইয়াৰ স্বাভাৱিক অৱস্থানতকৈ প্ৰায় তিনিগুণ অধিক প্ৰসাৰিত হৈছে, যিটো এক ভয়ংকৰ সংকেত।*

# বানপানী আৰু বিপৰ্যস্ত উজনি



**চন্দন কুমাৰ নাথ**

প্ৰতি বছৰে বানপানীয়ে অসমৰ জনজীৱন বিপৰ্যস্ত কৰি আহিছে যদিও শেহতীয়াকৈ উজনি অসমত যি প্ৰলয়ংকৰী বানৰ সৃষ্টি হৈছে, সি সঁচাকৈয়ে অভূতপূৰ্ব, মৰ্মান্তিক আৰু চৰম উদ্বেগজনক। বানপানী অসমৰ বাবে নতুন সমস্যা নহয়, এই কথা সঁচা। কিন্তু চলিত বৰ্ষৰ জুলাই মাহত (২০২৬ চন) উজনি অসমৰ যিসমূহ অঞ্চল পানীৰ তলত জাহ গ'ল, সেয়া বিগত কেইবাদশকৰ ইতিহাসতো হোৱা নাছিল। উপগ্ৰহীয় চিত্ৰ আৰু বাস্তৱিক পৰিস্থিতিয়ে প্ৰমাণ কৰিছে যে এইবাৰৰ বানপানী কেৱল এটা সাধাৰণ প্ৰাকৃতিক দুৰ্যোগ নহয়, বৰঞ্চ ই এক গভীৰ জলবায়ু, ভৌগোলিক আৰু পৰিৱেশগত সংকটৰ এক জ্বলন্ত ইংগিত। এগৰাকী সচেতন নাগৰিক হিচাপে এই ভয়াৱহ পৰিস্থিতিৰ কাৰণসমূহ, জনজীৱনৰ ওপৰত ইয়াৰ প্ৰভাৱ আৰু ইয়াৰ স্থায়ী প্ৰতিকাৰৰ ক্ষেত্ৰত চৰকাৰ তথা সাধাৰণ ৰাইজৰ দায়িত্বৰ বিষয়ে গভীৰভাৱে আলোকপাত কৰাৰ সময় এতিয়া সমাগত।

শেহতীয়া বাতৰি আৰু অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ (ASDMA) তথ্যৰ ফালে চকু ফুৰালে পৰিস্থিতিৰ ভয়াৱহতা সহজে অনুমান কৰিব পাৰি। চলিত বানত উজনি অসমৰ শিৱসাগৰ, চৰাইদেউ, যোৰহাট, ডিব্ৰুগড়, গোলাঘাট, ধেমাজি আৰু তিনিচুকীয়া জিলা আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত হৈছে। জুলাই মাহৰ তথ্য অনুসৰি, ৰাজ্যখনৰ প্ৰায় ৭.২৭ লাখৰো অধিক লোক এই বিধ্বংসী বানৰ কবলত পৰিছে আৰু মৃত্যুৰ সংখ্যাই অৰ্ধশতকৰ ঘৰ স্পৰ্শ কৰিছেগৈ। চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশ আৰু নাগালেণ্ডত সংঘটিত হোৱা ডাৱৰ বিস্ফোৰণ আৰু স্বাভাৱিকতকৈ বহুগুণে (প্ৰায় ১৪১%ৰ পৰা ৪৩৬% পৰ্যন্ত) অধিক মাত্ৰাত হোৱা বৰষুণৰ ফলত নামনিৰ জিলাসমূহত এই হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হয়। ব্ৰহ্মপুত্ৰৰ উপৰি উজনিৰ প্ৰধান উপনৈসমূহ যেনে— বুঢ়ীদিহিং, দিখৌ, দিচাং আৰু ধনশিৰিৰ জলস্তৰ বিপদসীমাৰ বহু ওপৰেৰে বৈ গৈছে। ডিব্ৰুগড়ৰ খোৱাং অঞ্চলত বুঢ়ীদিহিং, নামতি আৰু নাজিৰাত দিখৌ, লগতে শিৱসাগৰৰ নাঙলমূৰাঘাটত দিচাং নৈয়ে পূৰ্বৰ সকলো সৰ্বোচ্চ জলস্তৰৰ অভিলেখ ভংগ কৰিছে। ইউৰোপীয় সংঘৰ কপাৰনিকাছ উপগ্ৰহৰ শেহতীয়া চিত্ৰই দেখুৱাইছে যে যোৰহাটৰ সমীপত ব্ৰহ্মপুত্ৰৰ পানী ইয়াৰ স্বাভাৱিক অৱস্থানতকৈ প্ৰায় তিনিগুণ অধিক প্ৰসাৰিত হৈছে, যিটো এক ভয়ংকৰ সংকেত। এই জলপ্ৰলয়ে উজনিৰ যিবোৰ চাহ বাগিচা আৰু গ্ৰামাঞ্চলত আগতে কেতিয়াও বানপানী হোৱা নাছিল, সেইবোৰকো সম্পূৰ্ণৰূপে জলমগ্ন কৰি পেলাইছে। উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ তথ্য অনুসৰি শিমলুগুৰি আৰু মৰিয়নীৰ দৰে অঞ্চলত ৰে'লপথ পানীৰ তললৈ যোৱাৰ ফলত বহুতো ৰে'লৰ যাতায়াত বাতিল বা হ্ৰস্বম্যাদী কৰিবলগীয়া হৈছে। উজনি অসমত বানপানীৰ এই কালৰূপৰ আঁৰত কেৱল প্ৰকৃতিৰ ৰোষেই দায়ী নহয়, বৰঞ্চ মানৱসৃষ্ট কাৰণসমূহো সমানেই দায়ী। ইয়াক আমি দুটা প্ৰধান দিশত আলোচনা কৰিব পাৰো। প্ৰথমটো হ'ল প্ৰাকৃতিক আৰু জলবায়ুগত কাৰণ। গোলকীয় উষ্ণতা বৃদ্ধিৰ ফলত জলবায়ুৰ ব্যাপক পৰিৱৰ্তন হৈছে, যাৰ ফলত বৰষুণৰ স্বাভাৱিক বিতৰণ সলনি হৈছে। কম সময়ৰ ভিতৰতে অত্যধিক মাত্ৰাত বৰষুণ হোৱাৰ ফলত নদীসমূহে বিশাল পানীৰ স্ৰোত একেলগে কঢ়িয়াব নোৱাৰা হৈছে। চুবুৰীয়া ৰাজ্যসমূহৰ পৰা পাহাৰীয়া ঢালেৰে নামি অহা পানীয়ে পলস কঢ়িয়াই আনি নৈৰ তলি তৰাং কৰি পেলাইছে। দ্বিতীয়টো হ'ল মানৱসৃষ্ট আৰু প্ৰশাসনিক কাৰণ। নদীৰ উজনি অংশত নীপকো (NEEPCO) আদিৰ দৰে প্ৰকল্পৰ পৰা হঠাতে কোনো আগতীয়া পৰ্যাপ্ত সতৰ্কবাণী নোহোৱাকৈ পানী এৰি দিয়াৰ ফলত নামনিৰ গোলাঘাট, যোৰহাট আদি জিলাত কৃত্ৰিম বানৰ সৃষ্টি হোৱা বুলি বিভিন্ন সময়ত অভিযোগ উত্থাপন হৈছে। আনহাতে, ডিব্ৰুগড় আৰু যোৰহাটৰ দৰে ঐতিহাসিক চহৰসমূহত দেখা দিয়া ভয়াৱহ কৃত্ৰিম বানৰ মূল কাৰণ হ'ল অপৰিকল্পিত নগৰীকৰণ। পানী ওলাই যোৱা প্ৰাকৃতিক নলাসমূহ আৰু জলাশয়সমূহ বেদখল কৰি কংক্ৰিটৰ অট্টালিকা নিৰ্মাণ কৰা হৈছে। প্লাষ্টিক আৰু অন্যান্য আৱৰ্জনাৰে নিষ্কাশন প্ৰণালী সম্পূৰ্ণৰূপে পুতি পেলোৱা হৈছে। বনাঞ্চল ধ্বংস, পাহাৰ কটা আৰু নদীৰ বুকুৰ অবৈধ খননৰ ফলত পৰিৱেশৰ ভাৰসাম্য বিনষ্ট হৈছে। মথাউৰি নিৰ্মাণ আৰু মেৰামতিৰ নামত চলা দুৰ্নীতি, পুৰণি অবৈজ্ঞানিক পদ্ধতিৰ প্ৰয়োগ আৰু বাৰিষাৰ ঠিক আগমুহূৰ্ততহে কাম আৰম্ভ কৰা প্ৰৱণতাই বান পৰিস্থিতিক অধিক ভয়াৱহ কৰি তুলিছে। উজনি অসম মূলতঃ কৃষি আৰু চাহ উদ্যোগৰ ওপৰত নিৰ্ভৰশীল। এই বানপানীয়ে হাজাৰ হাজাৰ হেক্টৰ কৃষিভূমি নষ্ট কৰিছে। কৃষকৰ সেউজীয়া সপোন পলস আৰু বালিৰ তলত পোত গৈছে। পশুধনৰ ব্যাপক মৃত্যু আৰু বাসগৃহৰ ধ্বংসই গ্ৰাম্য অৰ্থনীতিক পংগু কৰি পেলাইছে। যাতায়াত ব্যৱস্থা, বিদ্যালয়, চিকিৎসালয় আদিৰ আন্তঃগাঁথনি ধ্বংস হোৱাৰ ফলত সাধাৰণ ৰাইজৰ জীৱনলৈ ঘোৰ অমানিশা নামি আহিছে। বানপানীৰ পিছত মহামাৰী আৰু খোৱাপানীৰ অভাৱে এক ভয়াৱহ স্বাস্থ্য সংকটৰো সৃষ্টি কৰে।





এই ভয়াৱহ দুৰ্যোগৰ পৰা পৰিত্ৰাণ পাবলৈ কেৱল চৰকাৰৰ সাহায্যলৈ বাট চাই থাকিলে নহ'ব। এখন সুৰক্ষিত সমাজ গঢ়িবলৈ চৰকাৰ আৰু ৰাইজ দুয়োপক্ষৰে সুনিৰ্দিষ্ট দায়িত্ব আছে। প্ৰথম অৱস্থাত, চৰকাৰ আৰু প্ৰশাসনৰ দায়িত্বৰ কথা বিবেচনা কৰিলে দেখা যায় যে বানপানী প্ৰতিৰোধৰ বাবে বিজ্ঞানসন্মত আন্তঃগাঁথনি গঢ়ি তোলাটোৱেই আটাইতকৈ গুৰুত্বপূৰ্ণ বিষয়। মথাউৰিসমূহৰ নিৰ্মাণত কেৱল মাটি আৰু বাঁহৰ ব্যৱহাৰৰ সলনি জিঅ'-টেক্সটাইল প্ৰযুক্তি আৰু আধুনিক অভিযান্ত্ৰিক কৌশল ব্যৱহাৰ কৰিব লাগে। ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈসমূহৰ গভীৰতা বৃদ্ধি কৰিবলৈ বিজ্ঞানসন্মতভাৱে ড্ৰেজিং কৰাটো অতিশয় জৰুৰী হৈ পৰিছে। ইয়াৰ সমান্তৰালভাৱে, আন্তঃৰাজ্যিক সমন্বয় এক নিৰ্ণায়ক কাৰক। নাগালেণ্ড আৰু অৰুণাচল প্ৰদেশৰ চৰকাৰৰ সৈতে এক ফলপ্ৰসূ আগতীয়া সতৰ্কবাণী ব্যৱস্থা (Early Warning System) গঢ়ি তুলিব লাগিব। পাহাৰৰ ওপৰৰ প্ৰকল্পসমূহৰ পৰা পানী এৰি দিয়াৰ পূৰ্বেই নামনিৰ জনসাধাৰণক সময়মতে সুৰক্ষিত স্থানলৈ নিয়াৰ সুব্যৱস্থা

■ *১০ পৃষ্ঠাত*

# মোৰ কণ্ঠ ৰুদ্ধ কৰিবলৈ চেষ্টা নকৰিবা

**নাছিৰ আহমেদ**

মোৰ কণ্ঠ ৰুদ্ধ কৰিবলৈ চেষ্টা নকৰিবা,
এয়া মাথোঁ নাছিৰ আহমেদৰ কণ্ঠ নহয়,
এয়া অসম তথা ভাৰতৰ কোটি কোটি
কৃষক-শ্ৰমিকৰ দুৰ্বিনীত, অনিৰুদ্ধ কণ্ঠ,
পৰ্বতৰ ওখ শৃংগৰ পৰা কল কল ধ্বনি কৰি
নামি অহা নিৰ্ঝৰণিৰ নিৰ্ভীক কণ্ঠ।
তোমাৰ পদলেহনকাৰী বৰ্বৰ পুলিচ প্ৰশাসনে হয়তো
মোৰ দুবাহুত লগাই দিব পাৰে বন্দিত্বৰ জিঞ্জিৰি,



কাঢ়ি ল'ব পাৰে মোৰ ৰং-তুলিকা আৰু
ৰঙা-ক'লা-সেউজীয়া এডাল কলম
কিন্তু, কেনেকৈ ধ্বংস কৰিব পাৰিবা
ৰং-তুলিকা আৰু ৰঙা-ক'লা-সেউজীয়া
এডাল কলমেৰে আঁচ টনা
অসম তথা ভাৰত মাতৃৰ মানচিত্ৰ
যুগ-যুগান্তৰৰ সঞ্চিত উৎকৃষ্ট সৃষ্টিৰাজি
অসমীয়া ভাষা-কৃষ্টি-সংস্কৃতি আৰু
সমৃদ্ধিশালী ধ্ৰুপদী সাহিত্য?

তুমি মোৰ কণ্ঠ ৰুদ্ধ কৰিবলৈ চেষ্টা নকৰিবা,
এয়া মাথোঁ নাছিৰ আহমেদৰ কণ্ঠ নহয়,
এয়া সৰ্বহাৰা শোষিত জনগণৰ বিপ্লৱী সত্তাৰ ৰণ-হুংকাৰ!
তোমাৰ ন্যায়ালয়ৰ নিৰ্লজ্জ নিৰ্দেশত
হয়তো মোক নিক্ষেপ কৰিব পাৰিবা
কাৰাগাৰৰ অন্ধকাৰ কক্ষত বা
ওলোমাই দিব পাৰিবা ফাঁচিকাঠত।
কিন্তু, এয়া চোৱা!
মোৰ অজেয়, দুৰন্ত আত্মাত থিতাপি লৈছে
শত সহস্ৰ বিপ্লৱী ছহিদৰ দল
ভগৎ সিঙে হুংকাৰ দিছে
'ইয়ে আজাদী ঝুথা হ্যায়'
সুভাষ বসুৱে উদাত্ত কণ্ঠে আহ্বান জনাইছে
"Give me blood, I give you freedom."
কোচবিহাৰৰ ৰাজদেৱালে দেৱালে জিলিকি উঠিছে
'ৰাজ্যে আছে দুইটি পাঠা
একটি কালো একটি সাদা,
দেশেৰ যদি মঙল চাওঁ
দুইটি পাঠাকে বলি দাওঁ।'
জ্যোতিপ্ৰসাদে নিৰ্ভীকভাৱে কৈছে— 'ৰূপান্তৰেহে জগত ধুনীয়া
কৰে, এয়ে মোৰ গায়ত্ৰী মন্ত্ৰ।'
তুমি মোৰ কণ্ঠ ৰুদ্ধ কৰিবলৈ চেষ্টা নকৰিবা,
কৃষকৰ হাতৰ ধৰাল কাচিখন দেখিলেই ধৰিব পাৰিবা
কাৰ ডিঙিৰ জোখাৰে গঢ়িছো,
শ্ৰমিকৰ হাতুৰীৰ ধুকুম ধুকুম শব্দত
এদিন থৰথৰকৈ কঁপি উঠিব
অত্যাচাৰী পুঁজিপতি শাসকৰ
নিষ্ঠুৰ ওখ সিংহাসন!

# জীৱন

**বলীন বৰদলৈ**

সুখ, দুখ
অলপ হাঁহি, অলপ কান্দোন
পোৱা নোপোৱাৰ হিচাপ-নিকাচ
সংগ্ৰাম আৰু সংঘাতে ভাৰাক্ৰান্ত।

ধূলিৰ ধুমুহাত উটৰ দৰে মূৰ গুঁজি
হেৰুৱালে আত্মবিশ্বাস, সাহস
থাকিবইবা অৰ্থ কি জীৱনৰ?

শিল-বৰষুণ, ধুমুহাৰ বাধাকো নেওচি
সপোনৰ পিছে পিছে
ঘূৰি ফুৰো অলিয়া-বলিয়া

আচলতে জীৱন
সুখ-দুখৰ চক্ৰবেহুত
সুখৰ মৰীচিকা খেদি ফুৰা
এটি মৃগতৃষ্ণা।

# মৰমৰ জোৱাৰ

**টৌলন তছা**

এদিন ৰাতি জোনটোৱে হাঁহি হাঁহি
পাহাৰৰ ওপৰত ঢলি পৰিল
মৰমৰ জোৱাৰ এটি উথলি উঠিল
নিভাঁজ পাহাৰৰ বুকুৰ একোণত।

হৃদয়হীন কঠিন পাহাৰটোৱে
প্ৰেমৰ প্ৰস্তাৱ দিয়া দেখি
জোনটোৱে মনে মনে হাঁহিলে

এন্ধাৰবুলীয়া সেই জয়াল নিশাটো
পৰিপূৰ্ণ হ'বলৈ আছিল সম্পূৰ্ণ সাজু
পাহাৰৰ ওমাল বুকুৰ পৰশত
জোনটোৱে নিজকে পাহৰিলে প্ৰেমৰ আৱেশত।

# এটি যাত্ৰাৰ লহমা

**সংগীতা ডেকা**

চকুৰে নেদেখা ভাগৰত আৱদ্ধ
এখিলা শুকান পাত
তাৰ শুষ্কতাখিনিক যেতিয়া
সেউজীয়া বোৱে ইতিকিং কৰে
সি তাৰ চকুৰ পতাত
এসোপামান ৰাতি আঁকি লয়
দিনৰ পোহৰে যাতে
দুকোণত থূপীকৃত
অন্তঃসত্বা ডাৱৰক
এখন আকাশ দিব নোৱাৰে।



# তুমি পাঞ্চালী তুমি যাজ্ঞসেনী

**অনন্ত কুমাৰ ভূঞা**

তুমি পাঞ্চালী
যাজ্ঞসেনী মহাভাৰতী
দ্ৰোপদ ৰজাৰ কন্যা দ্ৰৌপদী
তুমি ৰজাৰ কুঁৱৰী সৈৰিন্ধ্ৰী
তুমি সম্মোহিত যুগজয়ী নাৰী
ৰাজকন্যা কল্যাণী নামে অভিহিত
কলুষতা ধুঁই নিয়া স্পন্দিত মন
তুমি ভাসমান উদ্দীপ্ত প্ৰদীপ
চিৰ যৌৱনা নিত্যানুভানি
কৃষ্ণা তোমাৰ অন্য এটি নাম।
যৌৱনাদীপ্ত কৰুণ সুৰেৰে মহীয়ান
তুমি মৃগনয়নী জ্ঞানমালিনী
পাৰ্শ্বতী যোজনাগন্ধা ৰূপে পৰিচিত
অৰ্জুনে জিনিলে তোমাৰ হৃদয়,
মাতৃ কুন্তীৰ সত্য বাক্যত
তুমি অৰ্ধাংগিনী হক্সলা পঞ্চপাণ্ডৱৰ,
সৌভাগ্যৱতী তুমি পাঞ্চালী
স্বপ্ন বৈভৱ মহানুভৱ জীৱন দৰ্শন
শব্দ ব্ৰহ্মাৰ বিৰল নিদৰ্শন
তুমি দ্ৰোপদ ৰজাৰ দুহিতা দ্বাপৰ যুগৰ।
তুমি পঞ্চপাণ্ডৱৰ সহধৰ্মিণী
তুমি মাতৃ হ'লা উপপাণ্ডৱৰ
তুমি ৰাজনন্দিনী হস্তিনাপুৰৰ।
দাম্ভিক দুঃশাসনে হৰণ কৰে বস্ত্ৰ তোমাৰ
তুমি অপমানিত ক্ৰোধান্বিত
তুমি লাঞ্চিত ৰাজসভাত
ধ্যানমগ্ন ধৈৰ্যশীলা তুমি দ্ৰোপদ নন্দিনী
ক্ষোভত প্ৰজ্বলিত মন,
মৌন হৈ ৰ'ল ৰাজসভাসদ
বাকৰুদ্ধ হৈ ৰ'ল ভীষ্ম পিতামহ,
নিস্তব্ধতাৰ মায়াজালত বন্দী পঞ্চপাণ্ডৱ
তুমি নাৰী মহিয়সী
তুমি স্থিতপ্ৰজ্ঞ বিদুষী
ভগৱান তোমাৰ পক্ষত থিয় হ'ল।
শকুনিৰ পাশা খেলত পাণ্ডৱ হাৰিল
দুৰ্যোগৰ এছাতি বতাহ বলিল
বিমৰ্ষিত পাণ্ডুপুত্ৰ,
বিপৰ্যয় নামিল সত্যনিষ্ঠ জীৱন বাটত
বানপ্ৰস্থ হ'ল পঞ্চপাণ্ডৱ
চৈধ্যবছৰ বনবাসলৈ কৰিলে গমন
সেই দিনা উদং হ'ল হস্তিনাপুৰ।
যাজ্ঞসেনী! তুমি এই যাত্ৰাপথৰ সহযাত্ৰী
মহানুভৱতাৰ কামিনী কাঞ্চন পাঞ্চালী
দ্বাদশ নামেৰে তুমি পৰিচিত
তুমি যুগজয়ী নাৰী মহাকাব্যৰ।



# ‘পাগল’ নে... মানসিকভাৱে বিকাৰগ্ৰস্ত ?

বিপ্লৱ শইকীয়া

আমি প্ৰায়ে ৰাস্তাত কিছুমান মানুহ দেখো, যিসকলক আমি সহজেই ‘পাগল’ বুলি কওঁ। তেওঁলোকক দেখি বহুতে ঘৃণা কৰে, কাৰণ তেওঁলোকক কেতিয়াবা ৰাস্তাত পৰি থকা লেতেৰা বস্তু খাই থকা বা পথৰ কাষতে শুই থকা দেখা যায়। আনকি বহুতে ভয়ো কৰে— ‘পাগল যে, কেতিয়া কি কৰি দিব ঠিক নাই!’ কিন্তু এবাৰো ভাবিছোনে, আমি ‘পাগল’ শব্দটোৰ সলনি তেওঁলোকক ‘মানসিকভাৱে বিকাৰগ্ৰস্ত ব্যক্তি’ বুলি কোৱা কথাটো।

জন্মৰ সময়ত কোনো শিশু পাগল হৈ জন্ম নলয়। হয়তো তেওঁলোকো এদিন আপোনাৰ মোৰ দৰেই হাঁহিছিল, সপোন দেখিছিল, পৰিয়ালৰ মৰমত ডাঙৰ হৈছিল। কিন্তু জীৱনৰ কোনো এক কৰুণ অধ্যায়, অসহনীয় মানসিক আঘাত বা দীৰ্ঘদিনীয়া যন্ত্ৰণাই তেওঁলোকক এই অৱস্থালৈ ঠেলি আনিছে। সেয়ে প্ৰশ্ন জাগে-তেওঁলোকক ‘পাগল’ বুলি তুচ্ছ-তাচ্ছিল্য কৰাৰ অধিকাৰ সঁচাকৈয়ে আমাৰ আছেনে?

এগৰাকী নাৰী যেতিয়া ধৰ্ষণৰ বলি হয়, তেতিয়া কেৱল তাইৰ শৰীৰেই নহয়, মনটোও ভাঙি চুৰ্ণ-বিচুৰ্ণ হৈ যায়। কিন্তু দুৰ্ভাগ্যজনকভাৱে আমাৰ সমাজে তাইকেই অপৱিত্ৰ দৃষ্টিৰে চায়। ন্যায় বিচাৰি যুঁজ দি যেতিয়া তাই ক্লান্ত হৈ পৰে, তেতিয়া বহুতে মানসিকভাৱে সম্পূৰ্ণ ভাগি পৰে। কোনোৱে মৃত্যুক বাছি লয়, কোনোৱে মানসিক ভাৰসাম্য হেৰুৱায়। অথচ সমাজৰ প্ৰতিবাদ তেতিয়াহে আৰম্ভ হয়, যেতিয়া এজনী ছোৱালীৰ মৃত্যু হয়।

ইয়াৰ এক জ্বলন্ত উদাহৰণ হৈছে ২০২৫ চনত উৰিষ্যাৰ বালেশ্বৰ জিলাৰ ২০ বছৰীয়া Soumayshreeৰ ঘটনা। তাই এগৰাকী মেধাৱী ছাত্ৰী আছিল। সপোন আছিল ভৱিষ্যতে শিক্ষয়িত্ৰী হোৱাৰ। সেই উদ্দেশ্যৰে তাই B.Ed. পাঠ্যক্ৰমত নামভৰ্তি কৰিছিল। কিন্তু কলেজৰ এজন শিক্ষকে তাইক যৌন শিক্ষা দিবলৈ আৰম্ভ কৰে। তাইৰ ইয়াৰ প্ৰতিবাদৰ কৰে কিন্তু প্ৰতিবাদৰ প্ৰতিশোধ হিচাপে উপস্থিতি কমোৱা, পৰীক্ষাত কম নম্বৰ দি বিফল কৰোৱাৰ দৰে বিভিন্ন মানসিক নিৰ্যাতন চলোৱা হয় তাইৰ ওপৰত Soumayshree য়ে সাহস হেৰুওৱা নাছিল। ৩০ জুনত কলেজ কৰ্তৃপক্ষৰ ওচৰত লিখিত অভিযোগ দাখিল কৰিছিল। বন্ধু-বান্ধৱীকো কথাটো কৈছিল। সামাজিক মাধ্যমতো ন্যায় বিচাৰি আবেদন কৰিছিল আৰু লিখিছিল-যদি ন্যায় নাপায়, তেন্তে মৃত্যুকেই শেষ ঠিকনা হিচাপে বাছি ল'ব। কিন্তু অভিযোগবোৰ গুৰুত্বসহকাৰে লোৱা নহ'ল।

অৱশেষত ১২ জুলাইত কলেজৰ অধ্যক্ষৰ কাৰ্যালয়ৰ সন্মুখত পেট্ৰ'ল ঢালি নিজৰ গাত জুই লগাই দিয়ে। শৰীৰৰ প্ৰায় ৯৫ শতাংশ দগ্ধ হয়। ভুবনেশ্বৰৰ এইমছত চিকিৎসাধীন অৱস্থাত ১৪ জুলাই নিশা তাই মৃত্যুক আঁকোৱালি লয়। তাইৰ মৃত্যুৰ পিছতহে প্ৰশাসন, চৰকাৰ, সংবাদ মাধ্যম আৰু সমাজ সজাগ হ'ল। অভিযুক্ত শিক্ষকক নিলম্বন কৰা হ'ল। কিন্তু তেতিয়ালৈ বহু দেৰি হৈ গৈছিল। এজনী মেধাৱী ছাত্ৰীৰ সপোন, জীৱন আৰু ভৱিষ্যৎ ইতিমধ্যে শেষ হৈ গৈছিল।

এনে উদাহৰণ আমাৰ সমাজত অসংখ্য। কোনোবাই সৰুতে মাক-দেউতাক হেৰুৱাই মানসিকভাৱে ভাগি পৰে। কোনোবাই উচ্চশিক্ষা লাভ কৰাৰ পিছতো নিবনুৱা হৈ চাকৰি সন্ধানত ঘূৰি-ফুৰি থাকে আৰু চাকৰিৰ বাবে যেতিয়া পইচাৰ কথা আহে তেতিয়াই আৰ্থিক সংকটত জৰ্জৰিত হৈ মানসিক ভাৰসাম্য হেৰুৱায়। কোনোবাই বিশ্বাসেৰে ভালপোৱা মানুহৰ প্ৰতাৰণাত জীৱনৰ ওপৰত আস্থা হেৰুৱায়। এইবোৰৰ ফলত বহুতে মানসিক ৰোগত আক্ৰান্ত হয়।

আচলতে ৰাস্তাত দেখা প্ৰতিজন তথাকথিত ‘পাগল’ মানুহৰো একোটা জীৱন আছিল, একোটা পৰিয়াল আছিল, অসংখ্য সপোন আছিল। জীৱনৰ নিষ্ঠুৰ বাস্তৱতাই তেওঁলোকক আজিৰ অৱস্থালৈ আনিছে। সেয়ে তেওঁলোকক ঘৃণাৰ চকুৰে চোৱাৰ পৰিৱৰ্তে সহানুভূতি, মৰম আৰু সন্মানৰ দৃষ্টিৰে চোৱা উচিত।

সেয়ে ৰাস্তাত দেখা প্ৰতিজন মানসিকভাৱে অসুস্থ মানুহক ‘পাগল’ বুলি কোৱাতকৈ তেওঁলোকক ঘৃণা নকৰি, সহানুভূতিৰ চকুৰে চাওঁ আমি আহক। কাৰণ আজিৰ তেওঁলোকৰ ঠাইত কাইলৈ হয়তো আমাৰ কোনো আপোনজন, আনকি আমিও নিজে থাকিব পাৰো।

এখন সভ্য সমাজৰ পৰিচয় এইটো নহয় যে সেই সমাজে কিমান উন্নত অট্টালিকা নিৰ্মাণ কৰিছে, বৰঞ্চ এইটো যে সেই সমাজে দুৰ্বল, অসহায় আৰু মানসিকভাৱে আঘাতপ্ৰাপ্ত মানুহক কিমান মৰ্যাদা আৰু সহমৰ্মিতাৰে আঁকোৱালি লৈছে।

‘পাগল’ নহয় তেওঁলোকো আমাৰ দৰেই জীৱনৰ যুদ্ধত আঘাতপ্ৰাপ্ত মানুহ। ■



# ভূত নে ভ্ৰম

জ্যোতিমণি মাহন্ত

যুগ যুগ ধৰি মানৱ সমাজত আটাইতকৈ চৰ্চিত, ৰহস্যময় আৰু বিতৰ্কিত বিষয়বোৰৰ ভিতৰত অন্যতম হৈছে অলৌকিক শক্তিৰ অস্তিত্ব। ই যেন এক সুদূৰ অতীতৰ পৰা বৈ অহা কুঁৱলীৰ নদী, যাৰ সিপাৰে কি আছে কোনেও নাজানে। এন্ধাৰ নামি অহাৰ লগে লগে, যেতিয়া বাঁহ গছৰ পাতবোৰে বতাহত সৰসৰাই উঠে যেতিয়া জোনাকৰ পোহৰে গছৰ ছাঁবোৰক একো একোটা অদ্ভুত আকৃতি দিয়ে, তেতিয়াই মানুহৰ মনৰ নিভৃত কোণত সাৰ পাই উঠে এক আদিম শিহৰণ। এই শিহৰণেই ‘ভূত’। একাংশ লোকৰ মতে ভূত সম্পূৰ্ণ সত্য আনহাতে, যুক্তিবাদী আৰু বিজ্ঞানীসকলৰ মতে ই মানুহৰ মনৰ ভ্ৰম বা চকুৰ ভুল। এই ‘ভূত নে ভ্ৰম’ৰ যুঁজখন কেৱল অন্ধবিশ্বাস আৰু বিজ্ঞানৰে নহয়, ই মানৱ মনস্তত্ত্ব আৰু আমাৰ মগজুৰ জটিল কাৰ্যপ্ৰণালীৰ সৈতেও গভীৰভাৱে জড়িত।

একবিংশ শতিকাৰ এই তথ্য-প্ৰযুক্তি আৰু বিজ্ঞানৰ যুগত বহিও যেতিয়া আমাৰ সমাজত অলৌকিকতা, ভূত-প্ৰেত বা ‘ডাইনী’ৰ দৰে অন্ধবিশ্বাসে খোপনি পুতি থাকে, তেতিয়া ই আমাৰ সামগ্ৰিক চেতনাক এক ডাঙৰ প্ৰশ্নবোধক চিনৰ সন্মুখত থিয় কৰায়। আদিম কালৰে পৰা মানৱ সমাজত আটাইতকৈ চৰ্চিত আৰু বিতৰ্কিত বিষয়বোৰৰ ভিতৰত অন্যতম হৈছে ‘ভূত’ৰ অস্তিত্ব। একাংশ লোকৰ বাবে ই অতি বাস্তৱ আৰু ভীতিপ্ৰদ অনুভৱ আনহাতে যুক্তিবাদী আৰু বিজ্ঞানীসকলৰ মতে ই কেৱল চকুৰ ভুল বা মনৰ বিকাৰ। প্ৰশ্ন হয়, বিজ্ঞানৰ ইমান জয়যাত্ৰাৰ পিছতো মানুহৰ মনৰ পৰা ভূতৰ ধাৰণাটো কিয় মচি পেলাব পৰা হোৱা নাই? ই সঁচাকৈয়ে কোনো অদৃশ্য শক্তি নে মানৱ মগজুৱে ৰচা এক জটিল মায়াজাল?

বিজ্ঞানৰ দৃষ্টিৰে বিশ্লেষণ কৰিলে দেখা যায় যে ইয়াৰ আঁৰত ‘পেৰাইডোলিয়া’ নামৰ মগজুৰ এক স্বাভাৱিক প্ৰৱণতা থকাটো সম্ভৱ, য'ত মানুহে যিকোনো অস্পষ্ট আকৃতিত চিনাকি মুখ বা অৱয়ব দেখা পায়। একেদৰে, মাজনিশা বুকুত কোনোবাই হেঁচি ধৰা অনুভৱ বা লৰচৰ কৰিব নোৱাৰা অৱস্থাটোক (স্লিপ পেৰালাইছিছ) যি ভৌতিক বা ‘চেপা দিয়া’ বুলি ভবা হৈছিল, চিকিৎসা বিজ্ঞানে প্ৰমাণ কৰিলে যে সেয়া কেৱল টোপনি আৰু সাৰ পোৱাৰ মাজৰ এক ক্ষন্তেকীয়া স্নায়ৱিক খেলহে মাথোঁ। আনকি পৃথিৱীত এনে কিছুমান অতি নিম্ন কম্পনাংকৰ শব্দ আছে, যিবোৰ কাণেৰে নুশুনিলেও আমাৰ হৃদযন্ত্ৰ আৰু চকুৰ মণি কঁপাই তুলিব পাৰে। এই কঁপনিয়েই মানুহৰ মনত এক অজান ভয় আৰু চকুৰ চুকেদি ছাঁ এটা পাৰ হৈ যোৱাৰ ভ্ৰম সৃষ্টি কৰে।

এই লোককথাবোৰে আমাৰ সমাজক এক কাব্যিক ৰূপ দিছিল, য'ত ভয় আৰু কৌতূহল একেলগে খোজ কাঢ়িছিল। কিন্তু আধুনিক বিজ্ঞান আৰু চিকিৎসা শাস্ত্ৰই ভূতৰ এই অস্তিত্বক সম্পূৰ্ণৰূপে অস্বীকাৰ কৰে। বিজ্ঞানৰ মতে, মানুহে যাক ভূত দেখা বা অনুভৱ কৰা বুলি কয়, সেয়া আচলতে মগজুৰ কিছুমান বিশেষ পৰিস্থিতি বা ‘ভ্ৰমহে মাথোঁ।


ভূতৰ অস্তিত্ব প্ৰকৃততে আমাৰ ভয়ৰ সৈতে জড়িত। যেতিয়া এজন ব্যক্তিয়ে সৰুৰে পৰা ভূতৰ কাহিনী শুনি ডাঙৰ হয়, তেওঁৰ অৱচেতন মনত ভয়ৰ এক গভীৰ সাঁচ বহি যায়। কোনো নিৰ্জন বা এন্ধাৰ ঠাইলৈ গ'লে মগজুৱে সতৰ্কবাণী প্ৰেৰণ কৰে আৰু ‘এড্ৰেনালিন’ নামৰ হৰমন নিঃসৰণ কৰে। এই হ'ৰমনৰ বাবে হৃদস্পন্দন বৃদ্ধি পায় আৰু মানুহজনে প্ৰতিটো সৰু শব্দতে উচাপ খাই উঠে। মনৰ এই তীব্ৰ ভয়েই শেষত ভ্ৰমৰ ৰূপ লয়। আমি যাক বাহিৰত বিচাৰি ফুৰোঁ, সেই ভূতটো আচলতে আমাৰ মনৰ ভিতৰত সাঁচ পাতি বহি থাকে।


কিয় এজন উচ্চশিক্ষিত মানুহো গভীৰ নিশা নিৰ্জন ঠাইত অকলে থাকিলে উচাপ খাই উঠে? ইয়াৰ আঁৰত আছে এক গভীৰ মনস্তাত্ত্বিক আৰু বিৱৰ্তনমূলক কাৰণ। ভূতৰ ভয় আচলতে কোনো মৃত আত্মাৰ ভয় নহয়, ই হৈছে অজ্ঞাতৰ ভয়। মানৱ মগজুৱে সদায় পৰিৱেশটো নিজৰ নিয়ন্ত্ৰণত ৰাখিব খোজে। যেতিয়াই আমি এন্ধাৰ বা কোনো নিৰ্জন ঠাইত থাকো, আমাৰ চকু আৰু কাণে চৌপাশৰ সম্পূৰ্ণ তথ্য মগজুলৈ পঠিয়াব নোৱাৰে। এই শূন্যতা পূৰণ কৰিবলৈ মগজুৱে সৰুৰে পৰা শুনি অহা ভৌতিক কাহিনী বা চিনেমাৰ দৃশ্যবোৰ টোপোলাৰ পৰা উলিয়াই আনে আৰু এক কাল্পনিক বিপদৰ ছবি তৈয়াৰ কৰে।

বৰ্তমান সময়ত চলচ্চিত্ৰ, ভৌতিক ধাৰাবাহিক আৰু ছ'চিয়েল মিডিয়াই ভূতৰ ধাৰণাটোক এক ডাঙৰ মনোৰঞ্জনৰ মাধ্যমলৈ ৰূপান্তৰ কৰিছে। কিন্তু ইয়াৰ বিপৰীত পিঠিখন বৰ অন্ধকাৰ। এই ভয়ৰ সুযোগ লৈয়েই সমাজত একাংশ ভণ্ড বেজ বা তান্ত্ৰিকে অন্ধবিশ্বাসৰ বেহা মেলে। তেওঁলোকে মানুহৰ মানসিক বিভ্ৰান্তিক ‘ভূত লম্বা’ বুলি কৈ সমাজত ডাইনী হত্যা বা নিৰীহ মানুহৰ ওপৰত অত্যাচাৰৰ দৰে জঘন্য কুসংস্কাৰ বিয়পায়, যাৰ বলি হয় বহু নিৰীহ জীৱন।

ভূত আৰু ভ্ৰমৰ মাজৰ দেৱালখন অতিশয় পাতল আৰু ঠুনুকা। ভূত কোনো বাহ্যিক বাস্তৱতা নহয়, ই হ'ল মানৱ মনৰ এক জটিল মনস্তাত্ত্বিক সৃষ্টি। আমাৰ সমাজত এতিয়াও বহু এনে অন্ধকাৰ ঠাই আছে, য'ত শিক্ষাৰ পোহৰ পৰা নাই বা পৰিলেও সি মানুহৰ মানসিকতাক যুক্তিবাদী কৰিব পৰা নাই। একবিংশ শতিকাৰ এই তথ্য-প্ৰযুক্তিৰ যুগত বসবাস কৰিও যেতিয়া আমি বাতৰি কাকতৰ পৃষ্ঠাত ডাইনী সন্দেহত হত্যাকাণ্ড বা অমানুষিক নিৰ্যাতনৰ খবৰ দেখিবলৈ পাওঁ, তেতিয়া প্ৰমাণ হয় যে আচল ভূতটো ক'ৰবাত নহয়, বৰং আমাৰ সমাজৰ চিন্তা-চেতনাৰ মাজতহে বাহ লৈ আছে। এই সামাজিক ব্যাধিৰ পৰা মুক্ত হ'বলৈ হ'লে কেৱল আনুষ্ঠানিক শিক্ষাই যথেষ্ট নহয়, আমাক প্ৰয়োজন হ'ব এক বিজ্ঞানমনস্ক মানসিকতাৰ।

মনৰ পৰা যেতিয়া অন্ধবিশ্বাস, ভয় আৰু অজ্ঞানতাৰ কুঁৱলী সম্পূৰ্ণৰূপে আঁতৰি যাব, তেতিয়া প্ৰতিটো নিৰ্জন নিশাও জোনাকৰ দৰেই শান্ত, পবিত্ৰ আৰু ধুনীয়া হৈ পৰিব। ভূত বুলি একো নাই, আছে মাথোঁ আমাৰ অবুজ মনৰ একোটা অবুজন ভ্ৰম, যি ভ্ৰমে জীৱনক কেতিয়াবা ক্ষন্তেকীয়া শিহৰণ দিয়ে আৰু কেতিয়াবা সমাজক অন্ধকাৰলৈ ঠেলি দিয়ে। গতিকে, সচেতন নাগৰিক হিচাপে সমাজৰ পৰা এই মানসিক ভ্ৰম আঁতৰাই যুক্তি আৰু বিজ্ঞানৰ হাতে হাত ধৰি আগবাঢ়ি যোৱাটোহে আমাৰ একমাত্ৰ সংকল্প হোৱা উচিত। তেতিয়াহে সমাজৰ বুকুলৈ প্ৰকৃত পোহৰ আহিব আৰু ‘ভূত’ নামৰ ভয়টো চিৰদিনৰ বাবে মানুহৰ মনৰ পৰা নোহোৱা হ'ব। ■





# আমবাত ঃ হোমিঅ' দৰবেৰে নিৰাময়

ডাঃ জিতেন্দ্ৰ নাথ গোস্বামী

শৰীৰত বিছা লাগিলে বা বৰলে কামোৰাৰ দৰে চাকা চাকা প্ৰদাহ হৈ খজুৱতি হোৱাকে আমবাত (Urticaria) বোলে। ঠাইবিশেষে কোনো কোনোৱে ইয়াক শীতপিত্তও বোলে। ই আমাৰ শৰীৰত হঠাতে ৰাতি, ৰাতিপুৱা, ঘৰৰ ভিতৰত বা শুই থাকোতে খজুৱতি হৈ প্ৰদাহ হয়। অসম্ভৱ খজুৱতি হৈ অস্থিৰ হৈ পৰা দেখা যায়। ই যেনেকৈ হঠাতে দেখা দিয়ে তেনেকৈ কিছুসময় পিছত নিজে নিজে নোহোৱা হয়। কিন্তু কেতিয়াবা অলপতে ভয়ংকৰ ৰূপ লৈ ৰঙা ৰঙা হৈ চুলকানি যুক্ত প্ৰদাহ হৈ অলপতে বৃদ্ধি হোৱা দেখা যায়। সময়ত পিন্ধা কাপোৰ খোলাৰ লগে লগে অসম্ভৱ খজুৱতি হোৱা দেখা যায়।

কাৰণ ঃ কোনো কোনো চিকিৎসকে কোনো কঠিন ৰোগৰ আগজাননি বুলিও ক'ব খোজে। কোনো কোনোৱে বিপৰীত বা অস্বাভাৱিক আহাৰ, নিচলা মাছ, ইলিছ মাছ, বৰালি মাছ আদি খোৱাৰ কাৰণেও হ'ব পাৰে মত পোষণ কৰে। আকৌ কিছুমানে নিজে নিজে হয় বুলিও কয়। বহুতে এলাৰ্জি বুলিও সান্ত্বনা লভে। আন কিছুমানে কীট-পতংগ বা কৃমি আদিৰ পৰাও হয় বুলি কোৱা শুনা যায়।

লক্ষণ ঃ হঠাতে অসম্ভৱ খজুৱতি হয়। খজুৱতি যেনেকৈ হয় তেনেকৈ ৰঙা চাকা চাকা বৰলে কামোৰাৰ দৰে উত্তৰ হোৱা দেখা দিয়ে। ই প্ৰায়ে কাপোৰৰ আবুৰত হয়। মাত্ৰ কোমল মাংসপেশীত প্ৰায়ে দেখা দিয়ে। সময়ত ঠাই বাগৰি শৰীৰৰ বিভিন্ন অংশলৈ বিয়পি পৰা দেখা যায়। এনে ৰঙা চাকা চাকা প্ৰদাহ অলপ সময় পিছতে নিজে নিজে স্বাভাৱিকতে হোৱা দেখা যায়। ই উত্তৰ হোৱাৰ লগে লগে ঠাইডোখৰ উত্তপ্ত আৰু প্ৰদাহ লগতে ভীষণ অস্থিৰতাসহ চুলকানি প্ৰকাশ পায়। আৰু কেতিয়াবা প্ৰদাহ স্বাভাৱিকভাৱে মিলি যায়। সময়ত প্ৰদাহবোৰ মিলি নোযোৱা দেখা যায়। আৰু তেনে ঠাইবোৰত বিষ-বেদনা, যন্ত্ৰণা প্ৰকাশ পায়। সময়ত এনে লোকে শ্বাস-প্ৰশ্বাস লওঁতে কষ্ট, বিষ-বেদনা, জ্বৰ আদি হৈ ভীষণ ৰূপ লোৱা দেখা যায়।

ই আৰোগ্য হ'বলৈ বহু সময় লাগে। ই অতি কম সময়তে বৃদ্ধি হয়। এনে ৰোগৰ আৰম্ভণিতে চৰ্মৰোগ বিশেষজ্ঞৰ পৰামৰ্শ লোৱা ভাল। সমাজৰ বৃদ্ধ পুৰুষ-মহিলাসকল সহজে আক্ৰান্ত হোৱা দেখা যায়।

ডাঃ হ্যানিম্যান আৰু তেওঁৰ অনুগামী বিখ্যাত চিকিৎসকে চৰ্মৰোগ সম্পৰ্কে হোমিঅ' দৰ্শন অনুসাৰে ৰোগী আৰু দৰবৰ ধাতুগত সাদৃশ্যানুযায়ী এনে ৰোগত আক্ৰান্ত লোক অতি সহজে কম সময়ত আৰোগ্য লাভ কৰা অভিমত প্ৰকাশ কৰিছে। এনে প্ৰধান দৰবৰ বৰ্ণনা তলত চমুকৈ প্ৰকাশ কৰা হ'ল—

Apis Mel 200 (এপিছ মেল ২০০) ঃ এই দৰববিধৰ ধাতুগত লক্ষ্যানুযায়ী গ্ৰীষ্মৰ দিনত লোক আক্ৰান্ত হয় আৰু শীত দিনত উপশম হয়। শৰীৰৰ প্ৰায় সোঁফালে আক্ৰান্ত হোৱা দেখা যায়। সৰ্বশৰীৰত প্ৰদাহ পৰিলক্ষিত হয়। মৌ-মাখিৰ কামোৰাৰ দৰে শৰীৰ ক্ষুদ্ৰ ক্ষুদ্ৰ পৰিসৰত চাকা চাকা ৰঙা প্ৰদাহ খজুৱতি বিষ-বেদনাই দেখা দিলে এবাৰত এটাকৈ বড়ি দিনত চাৰিবাৰকৈ ছয়-সাত দিন সেৱন কৰিলে অতি সোনকালে সুফল পাব।

Aconite 200 (একোনাইট ২০০) ঃ গ্ৰীষ্মৰ দিনত লোক সুস্থ সন্ধিবোৰত চাকা চাকা ৰঙা প্ৰদাহ আৰু খজুৱতি দেখা দিলে এই দৰবটো ওপৰৰ ধৰণে সেৱন কৰিলে ৰোগ নিৰাময় হয়।

Rhus tox 200 (ৰাস টক্স ২০০) ঃ গ্ৰীষ্মৰ দিনত জলীয় বতৰত আৰু শীতৰ বতৰত শৰীৰৰ ঠায়ে ঠায়ে ৰঙা চকলা চকলা প্ৰদাহ হৈ খজুৱতি আৰু বিষ-বেদনা অনুভৱ হয়। সঞ্চালন কৰিলে উপশম হয়। বিশ্ৰামত এনে ৰোগ বৃদ্ধি হ'লে ওপৰৰ ধৰণে এই দৰব সেৱন কৰিলে ভাল।

Acid nitric 200 (এচিড নাইট্ৰিক ২০০) ঃ এই দৰববিধৰ ধাতুগত লক্ষ্যানুযায়ী গ্ৰীষ্মৰ দিনত বৃদ্ধি, শীতৰ দিনত উপশম। এনে ৰোগ হ'লে শৰীৰত অস্থিৰতা, সন্ধিবোৰত প্ৰদাহ খজুৱতি ৰঙা আদি দেখা দিয়ে। এনে অৱস্থাত ওপৰৰ ধৰণে সেৱন কৰিকলে ভাল।


Dulcamara 200 (ডালকামাৰা ২০০) ঃ ইয়াৰ ধাতুগত লক্ষ্যানুযায়ী বাৰিষা বৃদ্ধি শীতৰ দিনত উপশম। শৰীৰৰ ভিন ভিন ঠাইত বিষ-বেদনা, প্ৰদাহ খজুৱতি শৰীৰৰ প্ৰায়ে বাওঁফালে প্ৰকাশ পায়। এনে যাতনা দেখা দিলে এই দৰবটোও ওপৰৰ ধৰণে সেৱন কৰিলে ভাল।

Acid Sulph 200 (এচিড সাল্ফ ২০০) ঃ ওপৰোক্ত দৰবটোৰ দৰে এই দৰবটোৰ ধাতুগত লক্ষণ প্ৰায় একে। বন্ধ ঘৰত আৰু আহাৰৰ অন্তত যাতনা বৃদ্ধি। শৰীৰত কম্পন ভাব, অবসতা, মাংসপেশী সহজে আক্ৰান্ত বিষ-বেদনা, খজুৱতি চাকা চাকা ৰঙা প্ৰদাহ অস্থিৰতা অনুভৱ কৰিলে এই দৰবটো ওপৰৰ ধৰণে সেৱন কৰিলে ভাল।

সাৱধানতা ঃ নেমু টেঙাৰ ৰস মিহলাই স্নান কৰিলে আৰু নেমু টেঙা শৰীৰত ঘঁহিলে যাতনা উপশম হয়। বৰষুণৰ শীতল পানীও মুকলি বতাহ ল'ব পাৰিলে ভাল। পৰিষ্কাৰ-পৰিচ্ছন্ন প্ৰয়োজন। মহানিমৰ সিদ্ধ পানীৰে স্নান কৰা উচিত। ৰোগীৰ কাপোৰ ৰ'দত মেলি দিয়া উচিত। টোপনি ক্ষতি ভাল নহয়। গুৰুপাক বদহজম উত্তেজিত আহাৰ বৰ্জন কৰা উচিত। সদায় সুষম আহাৰ উপযোগী। এলাৰ্জি হ'ব পৰা বস্তু বৰ্জন কৰা উচিত।

গুৱাহাটী- ৭৮১০১৬
দূৰভাষ ঃ ৯৮৬৪৩ ২৮১৯১

*হঠাতে অসম্ভৱ খজুৱতি হয়। খজুৱতি যেনেকৈ হয় তেনেকৈ ৰঙা চাকা চাকা বৰলে কামোৰাৰ দৰে উত্তৰ হোৱা দেখা দিয়ে। ই প্ৰায়ে কাপোৰৰ আবুৰত হয়। মাত্ৰ কোমল মাংসপেশীত প্ৰায়ে দেখা দিয়ে। সময়ত ঠাই বাগৰি শৰীৰৰ বিভিন্ন অংশলৈ বিয়পি পৰা দেখা যায়। এনে ৰঙা চাকা চাকা প্ৰদাহ অলপ সময় পিছতে নিজে নিজে স্বাভাৱিকতে হোৱা দেখা যায়। ই উত্তৰ হোৱাৰ লগে লগে ঠাইডোখৰ উত্তপ্ত আৰু প্ৰদাহ লগতে ভীষণ অস্থিৰতাসহ চুলকানি প্ৰকাশ পায়। আৰু কেতিয়াবা প্ৰদাহ স্বাভাৱিকভাৱে মিলি যায়। সময়ত প্ৰদাহবোৰ মিলি নোযোৱা দেখা যায়। আৰু তেনে ঠাইবোৰত বিষ-বেদনা, যন্ত্ৰণা প্ৰকাশ পায়। সময়ত এনে লোকে শ্বাস-প্ৰশ্বাস লওঁতে কষ্ট, বিষ-বেদনা, জ্বৰ আদি হৈ ভীষণ ৰূপ লোৱা দেখা যায়। ই আৰোগ্য হ'বলৈ বহু সময় লাগে। ই অতি কম সময়তে বৃদ্ধি হয়। এনে ৰোগৰ আৰম্ভণিতে চৰ্মৰোগ বিশেষজ্ঞৰ পৰামৰ্শ লোৱা ভাল। সমাজৰ বৃদ্ধ পুৰুষ-মহিলাসকল সহজে আক্ৰান্ত হোৱা দেখা যায়।*



# দিশহাৰা

কল্পনা দত্ত

'চাকৰি কৰাবোৰে কেনেবাকৈ ঘৰখন সম্পূৰ্ণ কৰিব; কিন্তু বাকীবোৰে কেনেকৈ আৰম্ভ কৰিব?'

'পানী শুকুৱাৰ পাছত যিখন পৃথিৱী ওলাই পৰে, সেইখন বানপানীতকৈও বেছি ভয়ংকৰ। কাৰণ তাত কেৱল বোকাময় ধ্বংসস্তূপ আৰু দিশহাৰা মানুহৰ উচুপনি থৈ যায়।'

দিখৌৰ তাণ্ডৱ আৰু ঐতিহাসিক নগৰীৰ ক্ৰন্দনত ঐতিহাসিক শিৱসাগৰ জিলা আজি বানৰ এক কৰুণ ভয়ংকৰ গ্ৰাসত পৰিছে। দিখৌ, জীয়াধল আৰু ব্ৰহ্মপুত্ৰৰ বাঢ়নী পানীয়ে জিলাখনৰ ইখনৰ পাছত সিখন গাঁও বুৰাই পেলাইছিল। বিশেষকৈ শেহতীয়াকৈ দহিকটীয়াত দিখৌ নৈৰ মথাউৰি ছিগি যোৱাৰ পাছত সমগ্ৰ অঞ্চলটোত যেন এক প্ৰলয় নামি আহিল। মথাউৰি ভাঙি হুৱাহুৰে সোমাই অহা পানীয়ে মানুহক নিজৰ ঘৰ-দুৱাৰ, সম্পত্তি বা পশুধন বচাবলৈকো এক মুহূৰ্তৰ সময় নিদিলে। মুহূৰ্তৰ ভিতৰতে শ শ পৰিয়াল গৃহহীন হৈ আশ্ৰয় শিবিৰ বা ওখ মথাউৰিৰ ওপৰত আশ্ৰয় ল'বলগীয়া হ'ল। কিন্তু বৰ্তমান সময়ত বানৰ এই সংহাৰতকৈও এক অতি গভীৰ আৰ্থিক আৰু মানসিক সংকটৰ ছবিহে ফুটি উঠিছে, যিয়ে ভৱিষ্যতৰ এক অন্ধকাৰ দিশলৈ আঙুলিয়াই দিছে।

বৰ্তমান সমগ্ৰ শিৱসাগৰৰ বান পৰিস্থিতিৰ আটাইতকৈ ডাঙৰ সত্যটো হৈছে 'চাকৰি কৰাবোৰে কিবাকৈ ঘৰখন সম্পূৰ্ণ কৰিব কিন্তু বাকীবোৰে কেনেকৈ আৰম্ভ কৰিব?' বানৰ বুকুত সৰ্বস্ব হেৰুওৱা হাজাৰ হাজাৰ খাটিখোৱা, খেতিয়ক আৰু দিন হাজিৰা কৰা মানুহৰ বুকু ফালি ওলাই অহা এক নিৰুপায় আৰ্তনাদৰ চিঞৰ এতিয়া কোনে শুনিব। আমাৰ সমাজখনত যিসকল লোক চৰকাৰী বা সুৰক্ষিত বেচৰকাৰী চাকৰিৰ সৈতে জড়িত, তেওঁলোকৰ বাবে বানপানীৰ পাছত ঘৰখন পুনৰ নিৰ্মাণ কৰা বা জীৱনটো নতুনকৈ সজাই তোলাটো কষ্টকৰ হ'লেও অসম্ভৱ নহয়। তেওঁলোকৰ হাতত মাহেকীয়া দৰমহাৰ এটা নিশ্চিত উৎস থাকিব, যাৰ জোৰত তেওঁলোকে বেংকৰ পৰা ঋণ লৈ হ'লেও ভাঙি যোৱা ঘৰখন ঠিক কৰিব পাৰিব। কিন্তু বাকীসকল? যিসকল লোক কেৱল কৃষি, সৰু-সুৰা ব্যৱসায়, মীন পালন বা দিন হাজিৰাৰ ওপৰত নিৰ্ভৰ কৰি জীয়াই আছিল, তেওঁলোকৰ বাবে এই বানপানীয়ে কেৱল ঘৰৰ দেৱালখনকে ভঙা নাই, তেওঁলোকৰ অনাগত পাঁচ বছৰৰ অৰ্থনৈতিক কঁকালখনো ভাঙি থৈ গৈছে।

সৰ্বস্ব হেৰুওৱাৰ বিষাদগাথাৰ কথা কোনে বুজিব। য'ত মূলধনো বোকাত জাহ গ'ল শিৱসাগৰৰ গ্ৰাম্য অৰ্থনীতিৰ মূল ভেটিটোৱেই হৈছে কৃষি আৰু পশুপালন। এইবাৰৰ বানে কৃষকসকলৰ সোণালী সপোনবোৰ বোকামাটিৰ তলত পুতি পেলালে। খেতিৰ বাবে, থলুৱা ব্যৱসায় বা মীন পালনৰ বাবে বহু নিবনুৱা যুৱক বা কৃষকে বিভিন্ন মাইক্ৰ'ফাইনেন্স বা থলুৱা সমিতিৰ পৰা ধাৰ-ঋণ লৈ মূলধন খটাইছিল। বানে সেই সকলোবোৰ উটুৱাই লৈ গ'ল। এতিয়া তেওঁলোকৰ সন্মুখত দুটা ডাঙৰ প্ৰত্যাহ্বান— প্ৰথমটো হ'ল পৰিয়ালটোক দুবেলা দুমুঠি খুৱাই জীয়াই ৰখা আৰু দ্বিতীয়টো হ'ল মূৰৰ ওপৰত থকা পুৰণি ঋণৰ বোজা। এই দিশহাৰা অৱস্থাই নৱপ্ৰজন্ম আৰু গাঁৱৰ মানুহখিনিক এক গভীৰ মানসিক অৱসাদ আৰু হতাশাৰ ফালে ঠেলি দিছে, যাৰ কোনো তাৎক্ষণিক সমাধান তেওঁলোকে সোনকালেই বিচাৰি নাপাব।

সাহায্যৰ সাময়িকতা বনাম পুনৰ সংস্থাপনৰ স্থায়ী প্ৰয়োজনীয়তা এতিয়া বহুত বেছি জৰুৰী হৈ পৰিব। বানপানী অহাৰ সময়ত চৰকাৰ, প্ৰশাসন আৰু বিভিন্ন সামাজিক সংগঠনে আশ্ৰয় শিবিৰত চাউল, দাইল, নিমখ আৰু ঔষধৰ যোগান ধৰিছে। এইবোৰ ঠিকেই আছে, মানৱতাবোৰ দেখি ভালো লাগিছে এই সাময়িক সহায়খিনিক অৱশ্যে সকলোৱেই আদৰণি আৰু শলাগ ল'বই লাগিব। কিন্তু পানী শুকুৱাৰ পাছত যেতিয়া মানুহখিনি নিজৰ উকা, পলসুৱা মাটিৰে ধ্বংসস্তূপত পৰিণত হোৱা চোতালখনলৈ ঘূৰি যাব, তেতিয়া চাউল এক কিলোগ্ৰাম, দাইল, বিস্কুট আৰু অন্যান্য সামগ্ৰীয়ে তেওঁলোকৰ শূন্য হৈ যোৱা ঘৰখন আকৌ ভালকৈ থিয় কৰাব নোৱাৰে। তেওঁলোক যেন এতিয়া ২০ বছৰ পিছুৱাই গ'ল। চাকৰি নথকা, সমাজৰ আটাইতকৈ পিছপৰা আৰু দৰিদ্ৰ শ্ৰেণীটোৰ বাবে চৰকাৰে এক বিশেষ 'অৰ্থনৈতিক আঁচনি' গ্ৰহণ কৰাটো বৰ্তমান সময়ৰ আটাইতকৈ ডাঙৰ প্ৰয়োজন। কেৱল চৰকাৰী সাহায্যৰ নিয়মীয়াকৈ দিলেই জানো তেওঁলোকৰ অৰ্থনৈতিক দিশটো টনকিয়াল হ'ব। সেয়েহে পৰিয়ালসমূহক নতুনকৈ জীৱিকা আৰম্ভ কৰিবলৈ বিনাসুদে দীৰ্ঘম্যাদী ঋণ, কৃষি বীজৰ যোগান আৰু পশুধন হেৰুওৱা পৰিয়ালক চৰকাৰী অনুদান আগবঢ়াব লাগিব আৰু তেতিয়াহে চাগৈ অলপ হ'লেও সকাহ পাব।

শিৱসাগৰ, চৰাইদেউ, নাজিৰা আৰু যোৰহাটৰ এই বানপানী কেৱল এক প্ৰাকৃতিক দুৰ্যোগ নহয়, ই এক বৃহৎ মানৱীয় আৰু অৰ্থনৈতিক সংকট। পানী শুকাব, নৈবোৰে আকৌ নিজৰ সুঁতিলে ঘূৰি যাব, কিন্তু এই বানৰ পাছত সমাজৰ যিটো শ্ৰেণী সম্পূৰ্ণৰূপে দিশহাৰা হৈ পৰিছে, তেওঁলোকক হাতত ধৰি থিয় কৰোৱাটো চৰকাৰ আৰু সচেতন সমাজৰ নৈতিক দায়িত্ব। চৰকাৰৰ সদিচ্ছা কেৱল চহৰীয়া আধুনিকতাৰ মাজতে সীমাবদ্ধ নাথাকি এইদৰে বানৰ বুকুত সৰ্বস্ব হেৰুৱাই শূন্যৰ পৰা জীৱন আৰম্ভ কৰিবলগীয়া হোৱা প্ৰতিজন নিৰুপায় নাগৰিকৰ কাষ পাবগৈ লাগিব। তেতিয়াহে ইতিহাসপ্ৰসিদ্ধ শিৱসাগৰে আকৌ হাঁহিব পাৰিব আৰু সমাজৰ প্ৰতিজন খাটিখোৱা মানুহে পুনৰ মূৰ তুলি জীয়াই থকাৰ সাহস পাব।■

# ৰূপালী পৰ্দাৰ দাপোণ

শচীন্দ্ৰ কুমাৰ দাস

সিদিনা আবেলিৰ শ্ব'টোৰ শেষ হোৱাৰ পিছত যেতিয়া চিনেমা হলৰ লাইটবোৰ জ্বলি উঠিল, তেতিয়া মই মোৰ ছিটটোৰ ওপৰতে এটি শিলৰ দৰে বহি থাকিলো। মোৰ কাষেৰে পাৰ হৈ যোৱা মানুহবিলাকৰ হাই-উৰুমি মোৰ কাণত পৰা নাছিল। মই কেৱল সন্মুখৰ বগা পৰ্দাখন চাই আছিলো, য'ত অলপ আগতে এটি অবিশ্বাস্য যাদু ঘটি গ'ল।

মই এজন নিজেই অভিনেতা। বহু বছৰ ধৰি মঞ্চ আৰু কেমেৰাৰ সন্মুখত মই আনৰ জীৱনক জীয়াই তুলিছো। কিন্তু আজি মই এই চলচ্চিত্ৰখন চাবলৈ আহিছো এজন সাধাৰণ দৰ্শক হিচাপে। অথচ পৰ্দাত চলি থকা প্ৰতিটো দৃশ্যাৱলীয়ে মোৰ বুকুৰ ভিতৰখন জোকাৰি গ'ল।

চলচ্চিত্ৰখনৰ মূল অভিনেতাজনে যি অভিনয় কৰি গ'ল, সেয়া অভিনয় নাছিল সেয়া আছিল মোৰ নিজৰ জীৱন।

তেওঁৰ চকুৰ ভাষা, তেওঁৰ হাঁহিৰ আঁৰৰ বিষাদ, পৰিয়াল আৰু সপোনৰ মাজত কৰা সংগ্ৰাম, আনকি জীৱনৰ কঠিন পৰিস্থিতিতো তেওঁ লোৱা সিদ্ধান্তবিলাক হুবহু আছিল মোৰ দৰেই। মোৰ অতীতৰ এটি গোপন অধ্যায়, যিটো মই কেতিয়াও কাৰো আগত প্ৰকাশ কৰা নাছিলো, সেই অধ্যায়টোও একো খামখেলি নোহোৱাকৈ পৰ্দাত ফুটি উঠিল।

মই আচৰিত হৈ পৰিলো। চলচ্চিত্ৰখনৰ পৰিচালক বা চিত্ৰনাট্যকাৰে মোক নিচিনে,ময়ো তেওঁলোকক নাজানো। তেন্তে মোৰ জীৱনৰ এই গোপন দাপোণখন তেওঁলোকে কেনেকৈ তৈয়াৰ কৰিলে?

এজন অভিনেতা হিচাপে মই গম পাওঁ চৰিত্ৰৰ গভীৰতা; কিন্তু আজি প্ৰথমবাৰৰ বাবে মোৰ জীৱনটোৱে মোৰ সন্মুখত চৰিত্ৰ হৈ ধৰা দিলে।

হালধীয়া লাইটৰ পোহৰত মই চিনেমা হলৰ পৰা ওলাই আহিলো। বাহিৰৰ মৃদু বতাহজাক আহি মোৰ গাত পৰাত মোৰ অনুভৱ হ'ল, সৃষ্টি আৰু বাস্তৱৰ মাজৰ দেৱালখন কিমান যে পাতল।

মই এটি গভীৰ উশাহ ল'লো। আজিৰ পৰা হয়তোবা মোৰ অভিনয়ৰ সংজ্ঞা সলনি হৈ যাব। কাৰণ মই বুজি পালো— আমি জীৱনত যি জীয়াই থাকো, সেয়া ক'ৰবাত নহয় ক'ৰবাত শিল্প হৈ জীয়াই থাকে।■

# তুলসী গছৰ মহত্ত্ব

হেৰম্ব নাথ

তুলসী হিন্দু ধৰ্মত অতি পবিত্ৰ আৰু পূজনীয় উদ্ভিদ হিচাপে পৰিগণিত। ভাৰতীয় সংস্কৃতি আৰু ধৰ্মীয় পৰম্পৰাত তুলসীৰ এক বিশেষ স্থান আছে। হিন্দু বিশ্বাস অনুসৰি তুলসী হৈছে ভগৱান বিষ্ণুৰ অতি প্ৰিয় উদ্ভিদ আৰু ইয়াক দেৱী বৃন্দাৰ ৰূপ বুলিও মানি লোৱা হয়। সেইবাবে বহু হিন্দু পৰিয়ালত ঘৰৰ চোতালত তুলসী গছ ৰোপণ কৰি নিয়মীয়াকৈ পূজা-অৰ্চনা কৰা হয়।

হিন্দু ধৰ্মীয় আচাৰ-অনুষ্ঠানত তুলসী পাতৰ ব্যৱহাৰ অপৰিহাৰ্য। ভগৱান বিষ্ণু, কৃষ্ণ আৰু নাৰায়ণৰ পূজাত তুলসী পাত নিবেদন কৰাটো অতি শুভ বুলি গণ্য কৰা হয়। একাদশী আদি তুলসী বিবাহ, বিভিন্ন ধৰ্মীয় অনুষ্ঠানতো তুলসীৰ বিশেষ গুৰুত্ব আছে। বিশ্বাস কৰা হয় যে তুলসী গছ থকা ঘৰত ইতিবাচক শক্তিৰ বাস হয় আৰু পৰিৱেশ পবিত্ৰ হৈ থাকে।



ধৰ্মীয় গুৰুত্বৰ লগতে তুলসী এক উৎকৃষ্ট ঔষধি উদ্ভিদ। আয়ুৰ্বেদত ইয়াক 'ঔষধৰ ৰাণী' বুলি কোৱা হয়। তুলসী পাতত এণ্টিঅক্সিডেণ্ট (Antioxidant), এণ্টিবেক্টেৰিয়েল (Antibacterial) আৰু এণ্টিভাইৰেল (Antiviral) গুণ থাকে, যিয়ে শৰীৰক বিভিন্ন ৰোগৰ পৰা সুৰক্ষা প্ৰদান কৰে। চৰ্দি, কাহ, জ্বৰ, ডিঙিৰ বিষ আদি সমস্যাত ভুগিলে তুলসী পাতৰ ৰস মৌৰ লগত মিহলাই খালে বহু সকাহ পোৱা যায় তদুপৰি তুলসীৰ চাহ অতি উপকাৰী। ই ৰোগ প্ৰতিৰোধ ক্ষমতা বৃদ্ধি কৰাত সহায় কৰে।

তুলসীয়ে মানসিক চাপ হ্ৰাস, হজম শক্তি উন্নত কৰা আৰু শ্বাস-প্ৰশ্বাসজনিত সমস্যাৰ উপশমতো সহায় কৰে। ইয়াৰ উপৰি তুলসী পাতে তেজত চেনিৰ মাত্ৰা নিয়ন্ত্ৰণ, হৃদযন্ত্ৰ সুস্থ ৰখা আৰু ছালৰ বিভিন্ন সমস্যাৰ চিকিৎসাতো সহায়ক ভূমিকা পালন কৰে।

সেয়েহে তুলসী কেৱল এক ধৰ্মীয় প্ৰতীক নহয়; ই স্বাস্থ্য, পৰিৱেশ আৰু আধ্যাত্মিকতাৰ এক অনন্য সংযোগ। হিন্দু সমাজত যুগ যুগ ধৰি তুলসীয়ে যি মৰ্যাদা লাভ কৰি আহিছে, সেয়া ইয়াৰ বহুমুখী উপকাৰিতাৰ বাবেই নিঃসন্দেহে।■

চতুৰ্থ পৃষ্ঠাৰ পৰা ঃ —

# ডাকৰ বচন, কৃষিভিত্তিক বিশ্বাস আৰু

জ্ঞানৰ এখন মৌখিক বিশ্বকোষ।' প্ৰকৃতিৰ লক্ষণ চাই কেতিয়া বৰষুণ হ'ব, কেতিয়া খৰাং পৰিব, কোন সময়ত কঠীয়া পাৰিব, কেতিয়া ধান ৰুব বা শস্য সিঁচিব — এই সকলো বিষয়তে ডাকৰ বচনে চহা কৃষকক পথ প্ৰদৰ্শন কৰিছিল। সেই অৰ্থত ডাকৰ বচন কেৱল লোকসাহিত্য নহয়। ই অসমীয়া কৃষি জীৱনৰ এক জীৱন্ত ইতিহাস আৰু পৰম্পৰাগত জ্ঞানৰ অমূল্য ভঁৰাল।

অসমৰ মাটি আৰু জলবায়ু কৃষিকাৰ্যৰ বাবে অতি উপযোগী। সেয়েহে কৃষিকেই অসমীয়া সমাজৰ জীৱনধাৰণৰ মূল আধাৰ বুলি গণ্য কৰা হয়। এই সত্যক উপলব্ধি কৰিয়েই ডাকে কৈছে— 'ডাকে বোলে বাপু শুনা উপায়, বাণিজ্যৰ ফল কিৰিষিত পায়।' অৰ্থাৎ কৃষিকাৰ্য সঠিকভাৱে সম্পাদন কৰিব পাৰিলে বাণিজ্যৰ সমান বা তাতোকৈ অধিক লাভ অৰ্জন সম্ভৱ।

অসমৰ প্ৰধান শস্য হৈছে ধান। ধানেই অসমীয়া কৃষিজীৱী সমাজৰ খাদ্য-নিৰাপত্তা, অৰ্থনীতি আৰু সামাজিক জীৱনৰ মূল ভেটি। এই গুৰুত্বক সোঁৱৰাই ডাকৰ বচনত কোৱা হৈছে— 'ধনৰ মধ্যে ধানেহে শোভন, ধান নহ'লে মৰা তেতিক্ষণ।'

এই বচনত ধানক কেৱল এবিধ শস্য হিচাপে নহয়, জীৱনধাৰণৰ মূল সম্বল হিচাপে চিত্ৰিত কৰা হৈছে।

অসমৰ পৰম্পৰাগত কৃষি ব্যৱস্থা সম্পূৰ্ণৰূপে প্ৰকৃতি আৰু ঋতুচক্ৰৰ ওপৰত নিৰ্ভৰশীল। বৰষুণ অহাৰ পূৰ্বলক্ষণ, বতাহৰ গতি, মেঘৰ অৱস্থান, চৰাই-চিৰিকটি বা জীৱ-জন্তুৰ আচৰণ আদি নিৰীক্ষণ কৰি কৃষকসকলে কৃষিকাৰ্যৰ সময় নিৰ্ধাৰণ কৰিছিল। উদাহৰণস্বৰূপে, বাৰিষা আৰম্ভ হোৱাৰ লগে লগে ভেকুলীৰ টোৰটোৰণি শুনা গ'লে বৰষুণ অহাৰ লক্ষণ বুলি ধৰা হৈছিল। এই বিশ্বাসৰ প্ৰতিফলন ঘটিছে ডাকৰ বচনত— 'বাৰিষা কালত বেঙৰ ৰাৱ, হাল-গৰু লৈ পথাৰক যাৱ।' অৰ্থাৎ, ভেকুলীৰ মাতে বৰষুণৰ আগমনৰ ইংগিত দিয়ে। সেয়ে কৃষকসকলে তেতিয়াই পথাৰত নামি কৃষিকাৰ্য আৰম্ভ কৰা উচিত।

একেদৰে আকাশত মেঘৰ অৱস্থান দেখি কৃষিকাৰ্য আৰম্ভ কৰাৰ পৰামৰ্শও ডাকৰ বচনত পোৱা যায়— 'মেঘক দেখি হালক বাই, জানা শস্যৰ লাভাক পাই।' অৰ্থাৎ, বৰষুণৰ সম্ভাৱনা দেখিলেই সময় নষ্ট নকৰি হাল বাই খেতি আৰম্ভ কৰা উচিত। এনে কৰিলে মাটিৰ আৰ্দ্ৰতা যথাযথভাৱে ব্যৱহাৰ কৰিব পাৰি আৰু শস্যৰ উৎপাদনো বৃদ্ধি পায়। ঋতুভেদে বৰষুণৰ প্ৰভাৱৰ ওপৰতো ডাকৰ সূক্ষ্ম পৰ্যবেক্ষণ লক্ষ্য কৰা যায়। উদাহৰণস্বৰূপে— 'যদি বৰষে মাঘৰ শেষ, ধন্য ৰজা, পুণ্য দেশ।' মাঘ মাহৰ শেষৰ ফালে হোৱা বৰষুণে মাটিৰ উৰ্বৰতা বৃদ্ধি কৰে আৰু পৰৱৰ্তী কৃষিবৰ্ষৰ বাবে অনুকূল পৰিৱেশ সৃষ্টি কৰে। সেয়েহে এই বৰষুণক শুভ লক্ষণ বুলি গণ্য কৰা হৈছিল।

আকাশত গাজনি-ঢেৰেকনি বা মেঘৰ অৱস্থানৰ ওপৰতো কৃষকসকলে পূৰ্বাভাস পাইছিল। এই সন্দৰ্ভত ডাকৰ বচনত আছে— 'পূবে গাজিলে জানিবা খৰ, পশ্চিমে গাজিলে মাৰিবা লৰ।' অৰ্থাৎ, পূব দিশত গাজনি শুনা গ'লে খৰাঙৰ সম্ভাৱনা থাকে, আনহাতে পশ্চিমত গাজিলে বৰষুণ অহাৰ সম্ভাৱনা অধিক।

ধান ৰোপণৰ উপযুক্ত সময় সম্পৰ্কেও ডাকৰ নিৰ্দেশ স্পষ্ট— 'আহাৰ শাওণ ভাদ, এই তিনি মাহে ধানৰ বতৰ।' এই সময়ছোৱাত ধান ৰোপণ কৰিলে শস্যৰ উৎপাদন ভাল হয় বুলি কৃষকসকলে বিশ্বাস কৰিছিল। ধানখেতিৰ সফলতাৰ বাবে পানী ধৰি ৰাখিব পৰাটো অতি প্ৰয়োজনীয়। সেই উদ্দেশ্যে পথাৰত সঘনাই আলি দিয়াৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হয়। এই বিষয়ে ডাকৰ বচনত কোৱা হৈছে— 'ঘন ঘনকৈ দিবা আলি, তেহে পাবা নানান শালি। আলিৰ ওপৰে দিবা আলি, খেতি নহ'লে ডাকক পাৰিবা গালি।' ইয়াৰ অন্তৰালত সুস্পষ্ট কৃষি কাৰ্যৰ বৈজ্ঞানিক যুক্তি আছে। আলিয়ে পথাৰত পানী সংৰক্ষণ কৰে, মাটিৰ ক্ষয় ৰোধ কৰে আৰু শস্যৰ উৎপাদন বৃদ্ধি কৰাত সহায় কৰে। একেদৰে ডাকে কৈছে— 'জেঠত খৰ, আষাৰত ধল, তাকেহে বুলিবা খেতিৰ বল।' অৰ্থাৎ, জেঠ মাহৰ খৰাঙৰ পিছত আষাৰত উপযুক্ত বৰষুণ হ'লে কৃষিৰ বাবে সেয়া উপযুক্ত পৰিস্থিতি বুলি ধৰা হৈছিল। ধানৰ বিভিন্ন প্ৰজাতিৰ খেতি পদ্ধতিও ডাকৰ বচনত সুন্দৰভাৱে প্ৰতিফলিত হৈছে। অসমত পৰম্পৰাগতভাৱে আহু, শালি আৰু বাও —এই তিনিবিধ ধানৰ খেতি কৰা হয়। এই তিনিওবিধ ধানৰ বীজ সিঁচা, ৰোপণ আৰু পৰিচৰ্যাৰ নিয়ম একে নহয়। অভিজ্ঞতাৰ ভিত্তিত কৃষকসকলে কোন ধান কেনেদৰে খেতি কৰিলে অধিক উৎপাদন হয়, সেই বিষয়ে ডাকৰ বচনত সুস্পষ্ট নিৰ্দেশনা দিছে। আহু ধানৰ খেতি সাধাৰণতে কম পানী থকা মাটিত কৰা হয়। সেয়ে এই খেতি কৰিবলৈ তুলনামূলকভাৱে ঘনকৈ বীজ সিঁচিব লাগে। আনহাতে, শালি ধানৰ বাবে অধিক পানী আৰু সূৰ্যৰ পোহৰৰ প্ৰয়োজন হয়। সেইবাবে ইয়াক অলপ আঁতৰে আঁতৰে ৰোপণ কৰিব লাগে। এই বিষয়ে ডাকৰ বচনত আছে— 'আহু ৰুবা খোজত বুৰি, শালি ৰুবা বেগত জুৰি।' অৰ্থাৎ আহু ধান ঘনকৈ আৰু শালি ধান কিছু দূৰত্ব ৰাখি ৰুব লাগে। একেদৰে ডাকে কৈছে— 'পুহত আহু, জেঠত শালি, তেৰেসে জানিবা গৃহস্থালি।' ইয়াৰ অৰ্থ হ'ল, সময়মতে খেতিৰ সকলো কাম সম্পন্ন কৰিব পাৰিলেহে এজন কৃষকৰ গৃহস্থালি সুদৃঢ় হয়।

ধানখেতিৰ বাবে পথাৰত পানীৰ পৰিমাণো সঠিকভাৱে নিয়ন্ত্ৰণ কৰিব লাগে। সেইবাবে ডাকৰ বচনত কোৱা হৈছে— 'আঁঠুৰ ওপৰে দেখিবা পানী, গোঁজ দিবা হাতক জানি। ঘনাই ঘনাই দিবা আলি, দ-পানী দিবা মেলি।' এই বচনৰ অন্তৰালত পানী ব্যৱস্থাপনা সম্পৰ্কীয় এক বাস্তৱ কৃষি-জ্ঞান নিহিত হৈ আছে। সময়মতে কঠীয়া নাপাৰিলে উৎপাদন ব্যাহত হয় বুলিও ডাকে এনেভাৱে সতৰ্ক কৰি দিছে— 'শাওণৰ কঠীয়া নহয় ধান, আহিনৰ গোছ বিফল জান।' অৰ্থাৎ কৃষিৰ ক্ষেত্ৰত সময়ৰ মূল্য অতি গুৰুত্বপূৰ্ণ। বানপানীপ্ৰৱণ অসমৰ বাবে বাও আৰু কোকোৱা ধান আশীৰ্বাদস্বৰূপ আছিল। বানৰ পানী বাঢ়িলে এই ধানগছবোৰো ওপৰলৈ বাঢ়ি যায়। এই সম্পৰ্কে ডাকৰ বচনত এনেভাৱে প্ৰকাশ ঘটিছে— 'পানীৰ তলৰ কোকোৱা সোণা, ক'লৈ যাৰ তই গিৰিহঁত কণা।'

ভাদ আৰু আহিন মাহত ধানত ঠোক ওলোৱা আৰম্ভ হয়। এই সময়ত পথাৰত পানী ধৰি ৰখাটো অতি প্ৰয়োজনীয়। সেয়ে ডাকে পৰামৰ্শ দিছে এনেভাৱে— 'আহিন-কাতিত ৰাখিবা পানী, যেনে ৰাখে ৰজাই ৰাণী।' বিভিন্ন মাহত হোৱা বৰষুণৰ প্ৰভাৱ সম্পৰ্কেও ডাকৰ বচনত সুন্দৰভাৱে উল্লেখ আছে—

'যদি বৰষে আহিন-কাতি,
সোণ পৰে ৰাতি, যদি বৰষে
আঘোণ-পুহ,
ধান গুচি হয় তুঁহ। যদি বৰষে
ব'হাগ-চ'ত,
বাপে-পোৱে কয় ধান থ'ম
ক'ত।'

এই বচনসমূহে কৃষি আৰু বতৰৰ মাজৰ নিবিড় সম্পৰ্ক স্পষ্টভাৱে প্ৰকাশ কৰে।

ধানৰ উপৰি অসমত সৰিয়হ, মাহ, কপাহ, কল, তামোল, পাণ, জলকীয়া আদি বিভিন্ন শস্যৰ খেতি কৰা হয়। এইবোৰৰ খেতি পদ্ধতি সম্পৰ্কেও ডাকৰ বচনত বহু মূল্যৱান পৰামৰ্শ পোৱা যায়। যেনে— 'ঘন সৰিয়হ, পাতল মাহ, আৰণ দিবা কপাহ বাঁহ।' আকৌ কল, পাণ আৰু তামোল খেতিৰ বিষয়েও তেওঁ কৈছে— 'তিনিশ ষাঠি জোপা ৰুবা কল, মাহেকে পষেকে চিকুণাবা তল। পাত পচলা লাভত খাবা, লংকাৰ বণিজ ঘৰতে পাবা।' 'আঠীয়াত গোবৰ, মনোহৰত জাবৰ, পুৰাত খাই, মালভোগত ছাই'। 'সাতে পাতল পাঁচত ঘন, ছয়ত তামোল নদন বদন'। 'জালুকত গোবৰ পাণত মাটি, কলপুলি ৰুবা তিনিবাৰ কাটি'। 'তিনি শাওণে পাণ, একে আহিনে ধান'। এইবোৰৰ পৰা বুজা যায় যে ডাকৰ কৃষিজ্ঞান কেৱল ধানখেতিতেই সীমাবদ্ধ নাছিল। ই বহুমুখী কৃষি ব্যৱস্থাকো সামৰি লৈছিল।

কৃষিকাৰ্যৰ বাবে ব্যৱহৃত সঁজুলিৰ উপযুক্ত গঠনৰ বিষয়েও ডাকৰ বচনত এনেভাৱে উল্লেখ আছে— 'কোৰ, নাঙল, মৈ আৰু হুলা, চাৰিয়ে কৰে মাটিক তুলা।' অৰ্থাৎ এই চাৰিবিধ সঁজুলিয়েই কৃষিকাৰ্যৰ মূল আধাৰ। মাটি কিমানবাৰ চহাব লাগে, তাৰ বিষয়েও ডাকৰ বচনত নিৰ্দেশ আছে— 'ষোল্ল চাহে মূলা, তাৰ অৰ্ধেক তুলা, তাৰ অৰ্ধেক ধান, বিনা চাহে পাণ।' মূলা যিহেতু মাটিৰ তললৈ বৃদ্ধি পায়, সেয়ে ইয়াৰ বাবে অধিক চহ কৰা মাটি প্ৰয়োজন। আনহাতে ধান আৰু পাণৰ ক্ষেত্ৰত একে নিয়ম প্ৰযোজ্য নহয়।

পৰম্পৰাগত কৃষি ব্যৱস্থাত বলধ গৰুৰ গুৰুত্ব আছিল অপৰিসীম। কেনে গৰু খেতিৰ বাবে উপযোগী, সেই বিষয়েও ডাকৰ পৰামৰ্শ আছে— 'গৰু কিনিবা চিকণ জালি, দুই-চাৰি দন্তীয়া ভালি'। আকৌ তেওঁ কৈছে— 'গৰু কিনিবা দীঘল নেজা, মৈত উঠিলে নহয় কুঁজা'। এই বচনসমূহ বিশ্লেষণ কৰিলে সহজেই বুজা যায় যে ডাক কেৱল লোককবি নাছিল, তেওঁ আছিল প্ৰকৃতিৰ এজন সূক্ষ্ম পৰ্যবেক্ষক আৰু অভিজ্ঞ কৃষি-জ্ঞানী। তেওঁৰ বচনসমূহত লোকবিশ্বাসৰ লগতে কৃষিবিজ্ঞান, বতৰবিজ্ঞান আৰু পৰিৱেশ পৰ্যবেক্ষণৰ এক বাস্তৱধৰ্মী সমন্বয় লক্ষ্য কৰা যায়।

পৰিশেষত ক'ব পাৰি যে বিজ্ঞান আৰু প্ৰযুক্তিৰ অভূতপূৰ্ব অগ্ৰগতিৰ ফলত কৃষিক্ষেত্ৰত বহু নতুন পদ্ধতি, উন্নত বীজ, যন্ত্ৰপাতি আৰু বৈজ্ঞানিক কৌশলৰ প্ৰয়োগ ঘটিছে। তথাপি ডাকৰ বচনৰ গুৰুত্ব এতিয়াও ম্লান হোৱা নাই। কাৰণ, এই বচনসমূহে কেৱল কৃষিৰ কৌশলেই শিকোৱা নাই। ই প্ৰকৃতিক বুজিবলৈ, সময়ৰ মূল্য উপলব্ধি কৰিবলৈ আৰু অভিজ্ঞতাক জ্ঞানত পৰিণত কৰিবলৈ মানুহক শিক্ষা প্ৰদান কৰিছে। সেয়েহে ডাকৰ বচনসমূহক কেৱল লোকবিশ্বাস বা অন্ধবিশ্বাস বুলি উলাই নকৰি অসমীয়া সমাজৰ ঐতিহাসিক স্মৃতি, কৃষিভিত্তিক জীৱনদৰ্শন আৰু সাংস্কৃতিক পৰিচয়ৰ এক অমূল্য সম্পদ হিচাপে জ্ঞান কৰা উচিত। আধুনিক বিজ্ঞানৰ সুফল গ্ৰহণ কৰাৰ সমান্তৰালভাৱে এই লোক ঐতিহ্যৰ সংৰক্ষণ, গৱেষণা আৰু নতুন প্ৰজন্মৰ মাজত প্ৰচাৰ কৰাটোও আমাৰ এক সামাজিক আৰু সাংস্কৃতিক দায়িত্ব হ'ব লাগে। ■

পঞ্চম পৃষ্ঠাৰ পৰা ঃ —

# বানপানী আৰু বিপৰ্যস্ত উজনি

থাকিব লাগে। জলাশয় বেদখলকাৰী আৰু বনাঞ্চল ধ্বংসকাৰীৰ বিৰুদ্ধে চৰকাৰে কঠোৰ আইন প্ৰণয়ন কৰি তাৰ সঠিক ৰূপায়ণ কৰিব লাগিব। ভাৰতীয় সেনা, বায়ু সেনা, এনডিআৰএফ (NDRF) আৰু এছডিআৰএফ (SDRF) আদি সংস্থাসমূহে শেহতীয়াকৈ যিদৰে উদ্ধাৰ অভিযান চলাইছে, সেয়া সঁচাকৈয়ে প্ৰশংসনীয়, কিন্তু দুৰ্যোগৰ পূৰ্ব-প্ৰস্তুতি আৰু দুৰ্যোগৰ পিছৰ পুনৰ সংস্থাপন প্ৰক্ৰিয়া অধিক দ্ৰুত আৰু দুৰ্নীতিমুক্ত হোৱা উচিত। আনহাতে, এগৰাকী সচেতন নাগৰিক হিচাপে আমি আমাৰ সামাজিক কৰ্তব্যৰ পৰা কোনো কাৰণতে আঁতৰি থাকিব নোৱাৰোঁ। আমি আমাৰ প্ৰকৃতিৰ ওপৰত চলোৱা নিৰ্মম অত্যাচাৰ বন্ধ কৰিবই লাগিব। নদীৰ পাৰৰ বেদখলমুক্ত কৰা, জলাশয় আৰু ঐতিহাসিক বিলসমূহ সংৰক্ষণ কৰাত আমি চৰকাৰক সহায় কৰিব লাগিব। প্লাষ্টিক তথা অন্যান্য আবৰ্জনা য'তে-ত'তে পেলাই চহৰৰ নলা-নৰ্দমা বন্ধ নকৰাটো আমাৰ প্ৰধান কৰ্তব্য। এখন চহৰৰ কৃত্ৰিম বান বহুলাংশে নাগৰিকৰ অসচেতনতাৰ ফল বুলি ক'লেও বঢ়াই কোৱা নহ'ব। গছপুলি ৰোপণ আৰু বৰ্তমান থকা বনাঞ্চল সংৰক্ষণৰ জৰিয়তে আমি মাটিৰ খহনীয়া আৰু বানপানীৰ প্ৰকোপ বহু পৰিমাণে ৰোধ কৰিব পাৰো। দুৰ্যোগ ব্যৱস্থাপনাৰ ক্ষেত্ৰত কেৱল প্ৰশাসনৰ ওপৰত নিৰ্ভৰ নকৰি গাঁও আৰু ৱাৰ্ড পৰ্যায়ত স্থানীয় লোকৰ দ্বাৰা স্বেচ্ছাসেৱী গোট গঠন কৰি আগতীয়া প্ৰস্তুতি চলোৱা উচিত। ওখ স্থানত আশ্ৰয় শিবিৰৰ ব্যৱস্থা, প্ৰাথমিক চিকিৎসাৰ জ্ঞান আদি সমাজৰ প্ৰতিটো স্তৰতে থাকিলে ক্ষয়-ক্ষতিৰ পৰিমাণ বহুলাংশে হ্ৰাস কৰিব পৰা যাব।

উজনি অসমৰ শেহতীয়া বানপানীয়ে আমাক এক কঠোৰ আৰু স্পষ্ট সতৰ্কবাণী দিছে। প্ৰকৃতিৰ বিৰুদ্ধে গৈ মানুহে কেতিয়াও জয়লাভ কৰিব নোৱাৰে। বানপানীক কেৱল এক ঋতুভিত্তিক সমস্যা বুলি আওকাণ কৰাৰ দিন উকলিল। যদি আমি এতিয়াও সাৰ নাপাওঁ আৰু বিজ্ঞানসন্মত পদক্ষেপ গ্ৰহণ নকৰো, তেন্তে ভৱিষ্যতে অসমৰ অৰ্থনীতিৰ মেৰুদণ্ড স্বৰূপ কৃষি আৰু চাহ উদ্যোগ সম্পূৰ্ণৰূপে ধ্বংসৰ মুখত পৰিব। বানপানীৰ সৈতে সহাৱস্থান কৰিবলৈ আমি আধুনিক প্ৰযুক্তি, পৰিৱেশ অনুকূল আন্তঃগাঁথনি আৰু আন্তঃৰাজ্যিক সহযোগিতাৰ ওপৰত সৰ্বাধিক গুৰুত্ব দিব লাগিব। সকলোৰে সন্মিলিত প্ৰচেষ্টা, সজাগতা আৰু দৃঢ় ইচ্ছা শক্তিৰেহে আমি অসমক বানৰ এই কালৰূপৰ পৰা ৰক্ষা কৰি নৱপ্ৰজন্মৰ বাবে এক সুৰক্ষিত আৰু সেউজ ভৱিষ্যতৰ দিশে আগুৱাই নিব পাৰিম। ■

প্ৰথম পৃষ্ঠাৰ পৰা ঃ —

# ঘৰে ঘৰে গৈ ক্ষতিৰ বুজ ল'ব

ক্ষতিৰ বুজ ল'ব আৰু তাৰ পিছতে ক্ষতিপূৰণ প্ৰদানৰ ব্যৱস্থা আৰম্ভ কৰা হ'ব। বানপীড়িত অঞ্চলসমূহত স্বাস্থ্য শিবিৰ অনুষ্ঠিত কৰাৰ লগতে কৃষিকৰ্ম পুনৰ আৰম্ভ কৰাৰ বাবে চৰকাৰে বিভিন্ন ধৰণে সহায় আগবঢ়াব বুলি তেওঁ আশ্বাস দিয়ে। তদুপৰি, ৰাইজৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই সুন্দৰপুখুৰীত সবলভাৱে মথাউৰি নিৰ্মাণ কৰাৰ পদক্ষেপ লোৱা হ'ব বুলিও তেওঁ ঘোষণা কৰে। যোৱা ১৯ জুলাইৰ সন্ধিয়া হঠাতে অহা বানত নাজিৰাৰ ৰজাপুল দুৱৰা গাঁৱৰ নিৰুপমা দুৱৰা আৰু তেওঁৰ ভতিজী নিশা দুৱৰাৰ সলিল সমাধি ঘটিছিল। পৰিদৰ্শনকালত মুখ্যমন্ত্ৰীগৰাকীয়ে অকালতে প্ৰাণ হেৰুওৱা এই দুগৰাকী ব্যক্তিৰ ঘৰলৈ গৈ শোকসন্তপ্ত পৰিয়ালটোৰ সৈতে কিছু সময় অতিবাহিত কৰে আৰু গভীৰ সমবেদনা জ্ঞাপন কৰে। ভৱিষ্যতে অঞ্চলটোৰ ৰাইজে যাতে এনে ভয়াৱহ বিপদৰ সন্মুখীন হ'বলগীয়া নহয়, তাৰ বাবে ৰাজ্য চৰকাৰে বান সমস্যাৰ এক স্থায়ী সমাধানৰ দিশত কাম কৰিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে দৃঢ়তাৰে প্ৰকাশ কৰে। ইয়াৰ পিছতে মুখ্যমন্ত্ৰী ড° শৰ্মাই চৰাইদেউ জিলাৰ মাহমৰা সমষ্টিৰ বিস্তীৰ্ণ জলমগ্ন অঞ্চল পৰিদৰ্শন কৰে। তেওঁ যন্ত্ৰচালিত নাওযোগে চোমনী গাঁৱলৈ গৈ পানীত আৱদ্ধ হৈ থকা কেইবাটাও পৰিয়ালৰ খবৰ লয়। পৰৱৰ্তী সময়ত শ্ৰীশ্ৰীহৰি নামঘৰত গাঁওবাসীৰ সৈতে মত বিনিময় কৰাৰ লগতে সমষ্টিটোত যোৱা ১৯ জুলাইৰ পৰা হোৱা বানত প্ৰাণ হেৰুওৱা ১৪ গৰাকী লোকৰ নিকটাত্মীয়লৈ ৪ লাখ টকাকৈ মুঠ ৫৬ লাখ টকাৰ এককালীন সাহায্যৰ চেক প্ৰদান কৰে। ইয়াৰ উপৰি সমষ্টিটোৰ মৰাণ গাঁওস্থিত শ্ৰীশ্ৰীগোবিন্দ নামঘৰলৈ গৈয়ো তেওঁ বানপীড়িত ৰাইজৰ অৱস্থাৰ বুজ লয়। ইয়াৰ পিছতে মুখ্যমন্ত্ৰী ড° শৰ্মাই সোণাৰি নগৰৰ ৮ নং ৱাৰ্ডৰ জয়া প্ৰাথমিক বিদ্যালয়ত উপস্থিত হৈ বানত ক্ষতিগ্ৰস্ত হোৱা একাংশ ছাত্ৰ-ছাত্ৰীৰ সৈতে মত বিনিময় কৰাৰ লগতে তেওঁলোকৰ হাতত পাঠ্যপুথি আৰু ইউনিফৰ্ম তুলি দিয়ে। তদুপৰি অঞ্চলটোৰ শেহতীয়া বানত মৃত্যু হোৱা ৫ গৰাকী ব্যক্তিৰ নিকটাত্মীয়লৈ মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ পৰা ৫ লাখ টকাকৈ আৰ্থিক সাহায্য প্ৰদান কৰে। মুখ্যমন্ত্ৰীৰ এই পৰিদৰ্শন কালত তেওঁক সংগ দিয়ে ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা আদি বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত, কৃষি আদি বিভাগৰ মন্ত্ৰী পীযুষ হাজৰীকা, উদ্যোগ আৰু বাণিজ্য আদি বিভাগৰ মন্ত্ৰী বিমল বড়াই। লগতে বিধায়ক তৰংগ গগৈ, ময়ূৰ বৰগোঁহাই, সুৰুয দিহিংগীয়া আৰু ধৰ্মেশ্বৰ কোঁৱৰৰ লগতে অন্যান্য কেইবাগৰাকীও বিশিষ্ট ব্যক্তি এই ভ্ৰমণকালত উপস্থিত থাকে।

# কৃষকক কঠীয়া বিতৰণৰ মন্ত্ৰী

কৰাৰ লক্ষ্যৰে এই পদক্ষেপ গ্ৰহণ কৰা হৈছে। সংবাদ মাধ্যমৰ সৈতে হোৱা বাৰ্তালাপত মন্ত্ৰীগৰাকীয়ে কয় যে ৰাজ্য চৰকাৰে বানপীড়িত কৃষকসকলক পুনৰ খেতি আৰম্ভ কৰিবলৈ সকলোধৰণৰ সহায় আগবঢ়াবলৈ বদ্ধপৰিকৰ। কৃষি বিভাগে উন্নত মানৰ বীজ তথা কঠীয়া আৰু প্ৰয়োজনীয় সহায়-সহযোগিতা সময়মতে যোগান ধৰিবলৈ প্ৰয়োজনীয় সকলো ব্যৱস্থা গ্ৰহণ কৰিছে বুলিও তেওঁ উল্লেখ কৰে। ইয়াৰ পিছত মন্ত্ৰীগৰাকীয়ে মাহমৰা সমষ্টিৰ ডবা গাঁও পঞ্চায়তত স্বেচ্ছাসেৱী সংগঠন 'আমি'ৰ উদ্যোগত বানপীড়িত কৃষকসকলৰ মাজত কঠীয়া বিতৰণ কাৰ্যসূচীৰ আৰম্ভ কৰে। চৰকাৰৰ পুনৰ সংস্থাপন প্ৰচেষ্টাত সহযোগিতা আগবঢ়োৱাৰ বাবে সংগঠনটোক ধন্যবাদ জনাই তেওঁ এই পদক্ষেপৰ শলাগ লয়। পিছত তেওঁ মাহমৰা সমষ্টিৰ চুমনি গাঁৱৰ বানাক্ৰান্ত অঞ্চল পৰিদৰ্শন কৰি স্থানীয় লোকসকলৰ সৈতে মত বিনিময় কৰে আৰু পৰিস্থিতিৰ বুজ লয়। তেওঁ আশ্বাস দিয়ে যে বানপীড়িত লোকসকলৰ সাহায্য আৰু পুনৰ সংস্থাপনৰ ক্ষেত্ৰত অসম চৰকাৰে সকলোধৰণৰ সহায় অব্যাহত ৰাখিব। পিছত মন্ত্ৰীগৰাকীয়ে সোণাৰি সমষ্টিৰ আটালপথাৰত উপস্থিত হৈ স্থানীয় ৰাইজৰ উদ্যোগত বানপীড়িত নাজিৰা আৰু মাহমৰা সমষ্টিলৈ কঠীয়া কঢ়িয়াই নিয়া বাহনসমূহ আনুষ্ঠানিকভাৱে ফ্লেগ অফ কৰে। লগতে কৃষি বিভাগে বানপীড়িত কৃষকসকলৰ প্ৰয়োজন অনুসৰি পৰ্যাপ্ত পৰিমাণে কঠীয়া উৎপাদনৰ বাবে গ্ৰহণ কৰা ব্যৱস্থাসমূহো পৰ্যালোচনা কৰে। ইয়াৰ উপৰি মন্ত্ৰীগৰাকীয়ে সোণাৰীৰ ৮ নং ৱাৰ্ডস্থিত জয়া প্ৰাথমিক বিদ্যালয়ত স্থাপন কৰা বান সাহায্য শিবিৰ পৰিদৰ্শন কৰি আশ্ৰয় গ্ৰহণ কৰি থকা পৰিয়ালসমূহৰ সৈতে মত বিনিময় কৰে আৰু তেওঁলোকৰ খা-খবৰ লয়। তেওঁক জনোৱা হয় যে প্ৰায় ১০ টা পৰিয়ালৰ বাসগৃহ ক্ষতিগ্ৰস্ত হোৱা বা বসবাসৰ উপযোগী নোহোৱাৰ বাবে এতিয়াও শিবিৰত আশ্ৰয় লৈ আছে। মন্ত্ৰীগৰাকীয়ে আশ্বাস দিয়ে যে জিলা প্ৰশাসন আৰু ৰাজ্য চৰকাৰে তেওঁলোকৰ বাবে প্ৰয়োজনীয় সকলোধৰণৰ সহায় আৰু সুবিধা অব্যাহত ৰাখিছে। মন্ত্ৰীগৰাকীয়ে পুনৰ উল্লেখ কৰে যে বানপীড়িত কৃষকসকলৰ পুনৰ সংস্থাপন আৰু চলিত কৃষিবৰ্ষত পুনৰ খেতি নিশ্চিত কৰাৰ লক্ষ্যৰে কৃষি বিভাগ, জিলা প্ৰশাসন আৰু বিভিন্ন সংগঠনৰ সমন্বিত প্ৰচেষ্টাৰ জৰিয়তে অসম চৰকাৰে সময়োপযোগী সহায় আগবঢ়াই আছে।

# বালি বিদ্যাপীঠ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত শৈক্ষিক সভা সম্পন্ন



**টিহু ঃ** নলবাৰী জিলাৰ বৃহত্তৰ বালি গাঁৱৰ শিক্ষাপ্ৰেমী ৰাইজৰ প্ৰচেষ্টাত ১৯৬৪ চনতে স্থাপিত তথা ১৯৮৫ চনত উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত হোৱা বালি বিদ্যাপীঠ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিদ্যালয়খনৰ সৰ্বাংগীণ উন্নয়নৰ বাবে এখন শৈক্ষিক সভা অনুষ্ঠিত হয়। বিদ্যালয়ৰ সংগীতেৰে আৰম্ভ হোৱা তথা বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি লক্ষেশ্বৰ কলিতাৰ সভাপতিত্বত আৰু ভাৰপ্ৰাপ্ত অধ্যক্ষা মৃদুলা শৰ্মাই উদ্দেশ্য ব্যাখ্যা কৰা সভাখনত বিদ্যালয়খনৰ শৈক্ষিক দিশত অৱসৰপ্ৰাপ্ত শিক্ষক, বিশিষ্ট সমাজকৰ্মী মুকুল চন্দ্ৰ ভাগৱতীয়ে ভাষণত কয় যে বিদ্যালয় এখনত ছাত্ৰ-ছাত্ৰীৰ আকৰ্ষণ বৃদ্ধি কৰিবলৈ হ'লে বিদ্যালয়খনে বিভিন্ন কৌশল অৱলম্বন কৰাৰ লগতে শৈক্ষিক দিশত আগবাঢ়িব লাগিব। সভাত অৱসৰপ্ৰাপ্ত শিক্ষক শশীদেৱ শৰ্মা, অৱসৰপ্ৰাপ্ত শিক্ষক-ক্ৰীড়া সংগঠক পৰেশ চন্দ্ৰ শৰ্মা, সমাজকৰ্মী সুৰেন্দ্ৰ কলিতা, হাৰিভাংগা মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক গোবিন্দ চন্দ্ৰ ভাগৱতী, বালি গাঁও উন্নয়ন সমিতিৰ সম্পাদক শিক্ষক সত্যবান মেধি, সমাজকৰ্মী আনন্দ মেধি, ভাৰতীয় জীৱন বীমা নিগমৰ নলবাৰী শাখাৰ প্ৰশাসনিক বিষয়া মলিন চন্দ্ৰ ভাগৱতী, জ্যেষ্ঠ সাংবাদিক দীপমণি শৰ্মা, অৱসৰপ্ৰাপ্ত বেংক বিষয়া ৰমা শৰ্মা, বিষয় শিক্ষয়িত্ৰী মঞ্জু দেৱী, ধ্ৰুৱ তালুকদাৰ, বিজ্ঞান শিক্ষক ৰাতুল মিশ্ৰ, ভাৰপ্ৰাপ্ত অধ্যক্ষা মৃদুলা শৰ্মা, বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ উপ-সভানেত্ৰী মোহিনী ডেকাই বিদ্যালয়খনৰ উত্তৰোত্তৰ কামনাৰে বিভিন্ন পৰামৰ্শ আগবঢ়ায়। শিক্ষক, ছাত্ৰ-ছাত্ৰী, অভিভাৱক আৰু সামাজিক পৰিৱেশ উন্নয়নেই হৈছে বিদ্যালয় এখনৰ উন্নয়নৰ মূল চাবিকাঠী। উল্লেখ্য যে বিদ্যালয়খনৰ আন্তঃগাঁথনিৰ উন্নয়নৰ বাবে বিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ তথা ডিব্ৰুগড়ৰ কানৈ বাণিজ্য মহাবিদ্যালয় অৱসৰপ্ৰাপ্ত অধ্যাপক ড° ভূপেশ ভাগৱতী আৰু ভাৰতীয় জীৱন বীমা নিগমৰ নলবাৰী শাখাৰ প্ৰশাসনিক বিষয়া মলিন চন্দ্ৰ ভাগৱতীয়ে পাঁচ হাজাৰকৈ টকা অৰ্থসাহায্য আগবঢ়ায়।

# পাঠশালাত যুৱ-ছাত্ৰৰ গণিতৰ কৰ্মশালা

**অসম ভূমি সেৱা, পাঠশালা ঃ** অংক জনা মানে সকলো বিষয়তে তীক্ষ্ণ হোৱা। যেনেকৈ আমি দৈনন্দিন জীৱনত বিভিন্নধৰণে অংকৰ ব্যৱহাৰ কৰিবলগীয়া হয় সেয়েহে অংকৰ গুৰুত্ব অতিকৈ প্ৰয়োজন। অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ বজালী জিলা সমিতিৰ উদ্যোগত আৰু পাঠশালা আঞ্চলিক সমিতিৰ সহযোগত যোৱা ৩১ জুলাইত দিনজোৱা কাৰ্যসূচীৰে পাঠশালাৰ আজাদ ভৱনত অনুষ্ঠিত গণিত বিষয়ৰ এদিনীয়া কৰ্মশালাৰ উদ্বোধন কৰি এই মন্তব্য কৰে পাঠশালা শিক্ষাপীঠ আদৰ্শ বুনিয়াদী বিদ্যালয়ৰ অধ্যক্ষ উৎপল বৰকাকতিয়ে। যুৱ-ছাত্ৰ পৰিষদৰ বজালী জিলা সমিতিৰ সভাপতি লক্ষেশ্বৰ দাসে আঁত ধৰা অনুষ্ঠানত বৰকাকতিয়ে যুৱ-ছাত্ৰ পৰিষদে অনুষ্ঠিত কৰা এনেধৰণৰ কৰ্মশালাই ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক, মানসিক দিশক অধিক শক্তিশালী কৰি তুলিব বুলি মন্তব্য কৰি পৰিষদৰ এই কৰ্মশালাৰ শলাগ জ্ঞাপন কৰে। বজালীৰ বিভিন্ন শিক্ষানুষ্ঠানৰ ষষ্ঠ শ্ৰেণীৰ পৰা নৱম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰা কৰ্মশালাত সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰি মেথলজিক্সৰ গুৱাহাটীৰ প্ৰতিষ্ঠাপক দেৱাশিস কোঁৱৰ আৰু সহঃ প্ৰতিষ্ঠাপক কংকণজ্যোতি নাথে ছাত্ৰ-ছাত্ৰীসকলক সহজ পদ্ধতিত কেনেদৰে গণিত কৰিব পাৰি সেই বিষয়ক বিভিন্ন কৌশল প্ৰদৰ্শন কৰে। পৰিষদৰ নেতা ৰাজীৱ বায়ন, হীৰকজ্যোতি



তালুকদাৰ, বিষ্ণুপ্ৰসাদ শৰ্মাই সহযোগ আগবঢ়োৱা কৰ্মশালাৰ সামৰণী অনুষ্ঠানত ভট্টদেৱ বিশ্ববিদ্যালয়ৰ অধ্যাপক কনক দাস, বজালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ৰঞ্জন কুমাৰ চক্ৰৱৰ্তী, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সম্পাদক বিজন বায়ন, বজালীৰ জ্যেষ্ঠ সাংবাদিক প্ৰশান্ত কুমাৰ দাস, পাঠশালা প্ৰেছ ক্লাবৰ সম্পাদক অখিল কাকতি, প্ৰাক্তন সম্পাদক ৰঞ্জিত দাস, সাংবাদিক উৎপল মেধিকে ধৰি কেইবাগৰাকী উপস্থিত থাকি অংশগ্ৰহণকাৰীসকলক প্ৰমাণপত্ৰ প্ৰদান কৰে।

## সহস্ৰাধিক আয়তীয়ে একেলগে পৰিৱেশন কৰিলে নাম

# টিহুত দিহানামৰ এদিনীয়া কৰ্মশালা

**অসম ভূমি সেৱা, নাথকুছি ঃ** নলবাৰী দিহানাম লোকসংস্কৃতি প্ৰচাৰ মঞ্চৰ উদ্যোগত টিহু আঞ্চলিক দিহানাম আৰু সংস্কৃতিৰ প্ৰচাৰ মঞ্চৰ সহযোগত টিহুৰ নতুন বণিয়াকুছিৰ অনন্ত মন্দিৰ প্ৰাংগণত এদিনীয়া দিহানামৰ কৰ্মশালাখন অনুষ্ঠিত হয়। বৃহত্তৰ টিহু অঞ্চলৰ আয়তীসকলে অংশ লোৱা এই কৰ্মশালাত মুখ্য প্ৰশিক্ষক পিংকুমণি চহৰীয়াই কয় যে দিহানাম আৰু অসমীয়া লোকসংস্কৃতিৰ লগত জড়িত কোনো শিল্পী, আয়তীয়ে বিকৃত কৰি সস্তীয়া জনপ্ৰিয়তা ল'ব নালাগে। এই কৰ্মশালাখনত বৃহত্তৰ টিহু অঞ্চলৰ পাঁচ সহস্ৰাধিক আয়তীয়ে একেলগে পৰিৱেশন কৰিলে দিহানাম। পুৱা ১০ বজাৰ পৰা আবেলি ৪ বজালৈ এই কৰ্মশালাত বৃহত্তৰ টিহু অঞ্চলৰ আয়তীসকলে অংশগ্ৰহণ কৰি কাৰ্যসূচীৰ সফল ৰূপায়ণ কৰে। এই কৰ্মশালাত উপস্থিত থাকে সহকাৰী প্ৰশিক্ষক সুবল চহৰীয়া, নতুন বণিয়াকুছি অনন্ত মন্দিৰৰ সভাপতি বিৰেন কলিতা, সম্পাদক অজিত মেধি, দিহানাম লোকসংস্কৃতিৰ প্ৰচাৰ মঞ্চৰ নলবাৰী জিলাৰ সভাপতি কুমুদ মালাকৰ, সম্পাদক পুলেন ৰাজবংশী, টিহু আঞ্চলিক লোকসংস্কৃতিৰ প্ৰচাৰ মঞ্চৰ সভানেত্ৰী মালতী দেৱী, সম্পাদিকা দীপা হাজৰিকা, নলবাৰী জিলা লোকসংস্কৃতিৰ প্ৰচাৰ মঞ্চৰ সম্পাদিকা উষা দেৱী, অঞ্জু পাঠক, ধনদা হালৈ, কণ ৰাজবংশী, মৰমী পাঠক, বিজুলী কলিতা, মৰমী মেধি, ৰুক্মিণী কলিতাই অংশগ্ৰহণ কৰে।

### গুৱাহাটী চিকিৎসা মহাবিদ্যালয় চিকিৎসালয়ৰ নতুন ভৱন নিৰ্মাণকাৰ্যৰ অগ্ৰগতিৰ পৰ্যালোচনা

# নিৰ্ধাৰিত সময়ত কাম সম্পূৰ্ণ কৰাৰ নিৰ্দেশ স্বাস্থ্যমন্ত্ৰীৰ



**গুৱাহাটী ঃ** অসম চৰকাৰৰ স্বাস্থ্য, পৰিয়াল কল্যাণ, চিকিৎসা শিক্ষা আৰু গৱেষণা বিভাগৰ মন্ত্ৰী অশোক সিংহলে যোৱা ৩১ জুলাইত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় চিকিৎসালয়ত নতুনকৈ নিৰ্মাণ হ'বলগীয়া ভৱনটোৰ নিৰ্মাণস্থলী পৰিদৰ্শন কৰি কামৰ অগ্ৰগতিৰ বুজ লয়। পৰিদৰ্শনকালত মন্ত্ৰীগৰাকীয়ে নিৰ্মাণকাৰ্যৰ বিভিন্ন দিশ পৰ্যালোচনা কৰাৰ লগতে সংশ্লিষ্ট বিষয়া, অভিযন্তা আৰু নিৰ্মাণকাৰী সংস্থাৰ প্ৰতিনিধিসকলৰ সৈতে বিস্তৃত আলোচনা কৰে। মন্ত্ৰী অশোক সিংহলে নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত সকলো কাম উন্নত মান বজাই ৰাখি সম্পূৰ্ণ কৰাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰে। তেওঁ নিৰ্মাণকাৰ্যৰ গুণগত মান, সুৰক্ষা ব্যৱস্থা, কাৰিকৰী দিশ আৰু সামগ্ৰিক অগ্ৰগতিৰ ক্ষেত্ৰত কোনো ধৰণৰ আপোচ নকৰিবলৈ সংশ্লিষ্ট বিষয়াসকলক স্পষ্ট নিৰ্দেশনা প্ৰদান কৰে। লগতে প্ৰতিটো পৰ্যায়ৰ কাম নিয়মীয়াকৈ তদাৰক কৰি যাতে কোনো ধৰণৰ বিলম্ব নহয়, তাৰ বাবে সকলোকে সমন্বয় ৰক্ষা কৰি দায়িত্বশীলভাৱে কাম আগবঢ়াই নিবলৈ আহ্বান জনায়। মন্ত্ৰীগৰাকীয়ে কয় যে ৰাজ্য চৰকাৰে স্বাস্থ্য খণ্ডৰ আন্তঃগাঁথনি অধিক শক্তিশালী কৰাৰ লক্ষ্যৰে ব্যাপক পদক্ষেপ গ্ৰহণ কৰিছে। গুৱাহাটী চিকিৎসা মহাবিদ্যালয় চিকিৎসালয়ৰ এই নতুন ভৱন সম্পূৰ্ণ হোৱাৰ পাছত উন্নত চিকিৎসা সা-সুবিধা, আধুনিক চিকিৎসা সঁজুলি আৰু অধিকসংখ্যক ৰোগীক একেলগে সেৱা আগবঢ়োৱাৰ সুবিধা সৃষ্টি হ'ব। ইয়াৰ ফলত চিকিৎসা সেৱাৰ মান অধিক উন্নত হোৱাৰ লগতে চিকিৎসক, স্বাস্থ্য কৰ্মী আৰু ৰোগীসকলেও এক আধুনিক আৰু সু-সজ্জিত পৰিৱেশ লাভ কৰিব। তেওঁ লগতে কয় যে ৰাজ্যবাসীক অধিক সহজলভ্য, মানসম্পন্ন আৰু আধুনিক স্বাস্থ্য সেৱা প্ৰদান কৰাটো ৰাজ্য চৰকাৰৰ অন্যতম অগ্ৰাধিকাৰ। সেই লক্ষ্য বাস্তৱায়নৰ ক্ষেত্ৰত এই নতুন ভৱনটোৱে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি তেওঁ আশাবাদ ব্যক্ত কৰে। পৰিদৰ্শন কাৰ্যসূচীত চিকিৎসা শিক্ষা সঞ্চালক ডাঃ মনোজ কুমাৰ চৌধুৰী, গুৱাহাটী চিকিৎসা মহাবিদ্যালয় চিকিৎসালয়ৰ অধ্যক্ষ ডাঃ বাবুল কুমাৰ বেজবৰুৱা আৰু অধীক্ষক ডাঃ দেৱজিৎ চৌধুৰী উপস্থিত থাকে। তেওঁলোকেও নিৰ্মাণকাৰ্যৰ বৰ্তমানৰ অগ্ৰগতি সম্পৰ্কে মন্ত্ৰীগৰাকীক অৱগত কৰাৰ লগতে সময়মতে কাম সম্পূৰ্ণ কৰাৰ বাবে গ্ৰহণ কৰা ব্যৱস্থাসমূহৰ বিষয়ে বিৱৰণ দাঙি ধৰে।

## দক্ষিণ শালমাৰা মানকাচৰত অমৃত সৰোবৰ আঁচনিত লুণ্ঠন

**অসম ভূমি, হাটশিঙিমাৰী ঃ** দক্ষিণ শালমাৰা মানকাচৰ জিলাত অমৃত সৰোবৰ আঁচনিৰ নামত ব্যাপক অনিয়ম সংঘটিত হোৱাৰ অভিযোগ উঠিছে। জিলাখনত বিত্তীয় বছৰ ২০২৩-২৪, ২০২৪-২৫ আৰু ২০২৫-২৬ বৰ্ষত পুখুৰী খনন, গছপুলি ৰোপণ, ফেন্সিং চাৰিসীমাৰ আৰু পুখুৰীৰ ওচৰত গৃহ নিৰ্মাণ কৰা বুলি কাগজে-কলমে দেখুৱাই আঁচনিৰ ধন লুণ্ঠন কৰাৰ অভিযোগ উত্থাপন হৈছে। জিলাখনত একাংশ লোকৰ পুৰণি পুখুৰীত জেচিবি লগাই সামান্য পৰিমাণে মাটি খনন কৰা দেখুৱাই চৰকাৰী টকা আত্মসাৎ কৰাৰ অভিযোগ উত্থাপন কৰিছে সচেতন ৰাইজে। উক্ত আঁচনিৰ তথ্য বিচাৰি এজন সচেতন ব্যক্তিয়ে আবেদন কৰিছিল যোৱা ২২ জুনত। কিন্তু আজি এক মাহ অতিক্ৰম হ'ল যদিও আবেদনকাৰীক কোনো ধৰণৰ তথ্য যোগান ধৰা নাই বিভাগে। জিলাখনত এমজি এনৰেগা আঁচনিৰ নামতো কেলেংকাৰী কৰি এচাম বিষয়াই বিলাসী জীৱন যাপন কৰি আহিছে। জিলাখনত ভিজিলেন্সে উক্ত অভিযোগৰ তদন্ত কৰিলে সকলো তথ্য পোহৰলৈ আহিব।

## মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ মা চণ্ডিকা দেৱালয়ৰ ৪৪.৪৪৪ টকা

**ছয়গাঁও ঃ** অসমৰ শক্তিপীঠসমূহৰ ভিতৰত অন্যতম শক্তিপীঠ হ'ল ছয়গাঁৱৰ মা চণ্ডিকা দেৱালয়। ছয়গাঁও চম্পকনগৰৰ গোসাঁনীমঠত অৱস্থিত এই ঐতিহাসিক মা চণ্ডিকা দেৱালয়ৰ পৰিচালনা সমিতিয়ে উজনিৰ বানত ক্ষতিগ্ৰস্ত হোৱা লোকৰ সাহায্যাৰ্থে অলপতে মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ ৪৪,৪৪৪ টকা আগবঢ়ায়। মুখ্যমন্ত্ৰীক এই ধনৰাশি প্ৰদান অনুষ্ঠানত দেৱালয় পৰিচালনা সমিতিৰ সভাপতি বলেন কুমাৰ দাস, সম্পাদক ৰূপম চন্দ্ৰ দাস, প্ৰাক্তন সভাপতি কমল কুমাৰ দাস আৰু যুৱ সমাজকৰ্মী অমৰজ্যোতি গোস্বামী উপস্থিত আছিল। দেৱালয় পৰিচালনা সমিতিৰ এই মহান কাৰ্যৰ লগতে যোৱা ২০২৫ চনত স্থাপন কৰা মা চণ্ডিকা দাতব্য ন্যাসৰ জৰিয়তে সমাজৰ বাবে কিছু কাম কৰা বুলিও জানিব পৰা গৈছে। ইতিমধ্যে ছয়গাঁও অঞ্চলৰ কম বয়সতে বিধৱা হোৱা তিনিগৰাকী বিধৱা মহিলাৰ শিশুসকলৰ পঢ়া খৰচৰ নামত মাহে তিনিশ টকাকৈ প্ৰদান কৰি থকা হৈছে। আনহাতে, আমেৰিকাত কৰ্মৰত ড° অশ্বিনী চৌধুৰীৰ দৰে ব্যক্তিগৰাকী সভাপতিৰ দায়িত্বত থকাৰ লগতে তেওঁৰ উদ্যোগতে ড্ৰাগছ আসক্ত যুৱকসকলক ড্ৰাগছৰ কবলৰ পৰা মুক্ত কৰাৰ বাবে এই ন্যাসটোৱে কাম কৰিব বুলি জানিব পৰা গৈছে। আনহাতে অহা দুৰ্গা পূজাৰ পিছৰ পৰাই ছাত্ৰী-ছাত্ৰীসকলৰ বাবে বিনামূলীয়া কম্পিউটাৰৰ ব্যৱস্থাও কৰিব বুলি ন্যাসৰ কাৰ্যকৰী সভাপতি ড° নগেন কলিতাই জানিবলৈ দিছে। আনহাতে, এই ন্যাসৰ জৰিয়তে বিগত তিনি বছৰ ধৰি মা চণ্ডিকা নামৰ এখন মুখপত্ৰও প্ৰকাশ কৰি আহিছে বুলি জানিব পৰা গৈছে। আগত দুৰ্গা পূজা উপলক্ষে চতুৰ্থ বাৰ্ষিক মা চণ্ডিকা নামৰ মুখপত্ৰখন প্ৰকাশৰ দিহা কৰা হৈছে বুলিও মুখপত্ৰখনৰ সম্পাদক জগদীশ গোস্বামীয়ে জানিবলৈ দিছে।



### বাগাম্ভৃণী সাহিত্য সমিতিৰ উদ্যোগত তেজপুৰৰ হোটেল হেৰিটেজত অনুষ্ঠান

# লেখক-গৱেষক ড° ঢুণ্ডিৰাজ উপাধ্যায়ৰ দুখন গ্ৰন্থ উন্মোচন



**ঢেকীয়াজুলি ঃ** তেজপুৰৰ হোটেল হেৰিটেজৰ সভাগৃহত ৩০ জুলাইত বাগাম্ভৃণী সাহিত্য সমিতিৰ উদ্যোগত আয়োজিত গ্ৰন্থ উন্মোচনী সভাত উদীয়মান লেখক-গৱেষক ড° ঢুণ্ডিৰাজ উপাধ্যায়ৰ দুখন গ্ৰন্থ উন্মোচন কৰা হয়। দিনৰ ১১.৩০ বজাত অনুষ্ঠিত সভাত শোণিতপুৰ জিলা সাহিত্য সভাৰ সভাপতি ড° শুকদেৱ অধিকাৰীয়ে 'মঞ্জৰী' শীৰ্ষক প্ৰবন্ধ সংকলন উন্মোচন কৰে। তেওঁ কয়, 'সাহিত্যত ৰস থাকে। সাহিত্যত পাঠকে ৰস বিচাৰি পায়। ৰস নথকা লেখাক আমি সাহিত্য বুলি ক'ব নোৱাৰোঁ।' গতিকে প্ৰতিজন লেখক-সাহিত্যিক এইক্ষেত্ৰত সচেতন থাকিব লাগিব। অসমীয়া ভাষাত প্ৰকাশিত এই গৱেষণামূলক গ্ৰন্থত ড° ঢুণ্ডিৰাজ উপাধ্যায়ে ভাৰতীয় দৰ্শন, বেদ-বেদান্ত, পুৰাণ, ষোল্ল সংস্কাৰ, শ্ৰীৰামচন্দ্ৰ আৰু ৰামায়ণৰ অৱলোকন কৰাৰ লগতে প্ৰাচীন ভাৰতীয় বিজ্ঞানী বৰাহমিহিৰৰ পৰিচয়, সংস্কৃত নাটকৰ উৎপত্তিৰ বিষয়ে সামৰি পাঠকৰ হাতত তুলি দিবলৈ সক্ষম হৈছে বুলি উন্মোচক ড° অধিকাৰীয়ে মত পোষণ কৰে। সভাত বিশিষ্ট সাহিত্যিক চন্দ্ৰমণি উপাধ্যায়ে 'অবিৰল যাত্ৰা' শীৰ্ষক নাটক সংকলন উন্মোচন কৰে। নেপালী ভাষাত ৰচিত এই গ্ৰন্থই নেপালী নাট্য জগতৰ কাৰণে বিশেষ বৰঙণি যোগাব বুলি উন্মোচকগৰাকীয়ে আশা প্ৰকাশ কৰে। উল্লেখ্য যে পংকিল বৰাই আঁত ধৰা সভাখনত দৰং মহাবিদ্যালয়ৰ অধ্যক্ষ ড° পলাশমণি শইকীয়া, অৱসৰপ্ৰাপ্ত অধ্যাপক প্ৰণৱজ্যোতি দাস কবি-সাহিত্যিক ষড়ানন দেৱনাথ, অসম সাহিত্য সভাৰ সাংগঠনিক সম্পাদক দুলাল নাথ অতিথিৰূপে উপস্থিত থাকে। সভাত শংকুসিদ্ধ নাথে নাটকৰ সংলাপ আৰু পৰিণীতা দেৱীয়ে এটি কবিতা পাঠ কৰে। সভাত অসম নেপালী নাট্য সম্মিলনৰ সভাপতি পূৰ্ণ কুমাৰ শৰ্মা, সাহিত্যিক হৰি লুইটেল, ছত্ৰমান চুৰ্বা, দেৱীপ্ৰসাদ অধিকাৰী, ৰেৱতী মোহন তিমছিনা, বিষ্ণু শাস্ত্ৰী, মহিম আচাৰ্য, নাৰদ নিৰোৱা, ৰঞ্জন দাহাল, সাংবাদিক নাৰায়ণ ফয়েলৰ উপৰি বহুকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

**Printed by Prafulla Gogoi, Seven Stars Publications Pvt. Ltd. and published by Raghabendra Narayan Dutta Baruah , Seven Stars Publications Pvt. Ltd. on behalf of Raghabendra Narayan Dutta Baruah and printed at Seven Stars Publications Pvt. Ltd. at A.T. Road, Adabari, Near Bus Stand (Out Gate) Guwahati-781014 and published at 6, College Hostel Road, Panbazar, Guwahati-781001. Tel: 0361-2674555, E-mail: ssspplghy@gmail.com**

**Editor: Raghabendra Narayan Dutta Baruah**